# উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইন ২০০১

## প্ৰশিক্ষণ তথা সজাগতাৰ হাতপুথি

# উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইন ২০০১

## প্ৰশিক্ষণ তথা সজাগতাৰ হাতপুথি

ড° পূৰ্ণ কান্ত বৰুৱা

বৌদ্ধিক সম্পত্তি অধিকাৰ কোষ
অসম কৃষি বিশ্ববিদ্যালয়
যোৰহাট-৭৮৫০১৩

**উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা**
উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা শীর্ষক এদিনীয়া প্ৰশিক্ষণ তথা সজাগতা শিবিৰৰ বাবে প্ৰস্তুত এখনি হাতপুথি।
আয়োজক ঃ বৌদ্ধিক সম্পত্তি অধিকাৰ কোষ, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট; পৃষ্ঠপোষক ঃ উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা প্ৰাধিকৰণ, নতুন দিল্লী।
**ড° পূৰ্ণকান্ত বৰুৱাৰ** দ্বাৰা প্ৰস্তুত আৰু প্ৰকাশিত।

Udbhid JaatAaru Krishak Adhikar Surakshaa
A hand book on Training-cum-Awareness Programme on Protection of Plant Varieties and Farmers' Rights, organised by the Intellectual Property Right Cell of Assam Agricultural University, Jorhat 785013, and sponsored by the Protection of Plant Varieties and Farmers' Rights Authority, New Delhi 110012

Prepared and published by Dr. Purna K. Barua, Professor- in-charge, IPR Cell, AAU, Jorhat.

©২০১৫ অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

বেটুপাত ঃ শ্ৰী ৰণ্জিত গগৈ
অক্ষৰ বিন্যাস ঃ পল্লবী,তৃপ্তি

মুদ্ৰণ ঃ শব্দ প্ৰকাশ, থানাৰোড, যোৰহাট—৭৮৫০০১

## সূচীঃ

বৌদ্ধিক সম্পত্তি অধিকাৰৰ
থুলমূল আভাস - ৯
ভাৰতত বৰ্তমান বলৱৎ হৈ থকা
বৌদ্ধিক সম্পত্তি অধিকাৰ সুৰক্ষা আইনসমূহ - ২৩
উদ্ভিদজাত আৰু কৃষক অধিকাৰ
সুৰক্ষা আইন ২০০১ৰ অধ্যায়বোৰ - ২৫
নতুন উদ্ভিদজাত সুৰক্ষাৰ হকে
আন্তঃৰাষ্ট্ৰীয় সংঘ - ৪০
উদ্ভিদজাত সুৰক্ষা সম্পৰ্কীয় তথ্যৰ
উৎস ৱেবচাইট - ৪১
উদ্ভিদজাত পঞ্জীয়ন পদ্ধতি - ৪২
উদ্ভিদ জিনসমগ্ৰ ৰক্ষক পুৰস্কাৰ - ৪৫

## পুস্তিকাত ব্যৱহৃত কাৰিকৰী শব্দৰ ইংৰাজী প্ৰতিশব্দ

নথি— document
নথিভুক্তকৰণ — documentation
তালিকাভুক্তকৰণ—cataloguing
প্ৰাধিকৰণ—authority
উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা—protection of plant varieties and farmers' rights
আইন—Act
নিয়মাৱলী —Rules
বিধি—Regulations
উদ্ভিদজাত—Plant Variety
উদ্ভিদ প্ৰজননবিদ—Plant breeder
প্ৰজনক বীজ—breeder seed
জৈৱ বৈচিত্ৰ্য বা জৈৱ বিবিধতা—biodiversity
জৈৱ প্ৰযুক্তি—biotechnology
নতুন বা নতুনত্ব বা অভিনৱত্ব—novel or new
প্ৰজনন—breeding, reproduction
অপৰিহাৰ্যভাৱে ব্যুৎপন্ন জাত- essentially derived variety
প্ৰাৰম্ভিক জাত—initial variety
বংশগতিতত্ব—genetics
অনুবংশিক, অনুবংশিকভাৱে—genetic, genetically
জিন (বংশানুক্ৰমে চৰিত্ৰবহনকাৰী জৈৱিক একক)—gene
জিনসমগ্ৰ বা জিনম— genome



বংশগতিৰূপ—genotype
বংশগতিবহিঃৰূপ—phenotype
বিদ্যমান জাত—extant variety
কৃষকৰ জাত—farmer's variety
সাধাৰণভাৱে জ্ঞাত জাত—common knowledge variety
চৰিত্ৰ— character or characteristic
অপৰিহাৰ্য চৰিত্ৰ—essential characteristics
উদ্ভিদজাত পত্ৰিকা—Plant Variety Journal
বৌদ্ধিক সম্পত্তি অধিকাৰ—Intellectual property right
প্ৰতিলিপিস্বত্ব—copyright
বাণিজ্য চিহ্ন—trademark
ভৌগোলিক সূচনা—geographical indication
অভিকল্পনা বা আৰ্হি বা উদ্যোগিক আৰ্হি— design or industrial design
পেটেণ্ট বা কৃতিস্বত্ব— patent
পঞ্জীয়ন—Registration
পঞ্জীয়ক প্ৰধান—Registrar General
পঞ্জীয়নালয়—Registry
নতুন উদ্ভিদজাত সুৰক্ষা হেতু আন্তৰ্জাতিক সংঘ—International Union for Protection of New Varieties of Plants (UPOV)
বিশ্ব বাণিজ্য সংস্থা—World Trade Organization
বাণিজ্য সম্পৰ্কীয় বৌদ্ধিক সম্পত্তি অধিকাৰ চুক্তি (ট্ৰিপচ্ চুক্তি)—Agreement on trade related aspects of intellectual property rights (TRIPS Agreement)

জৈৱ বৈচিত্ৰ্য চুক্তি—Convention on Biological Diversity
জৈৱ বৈচিত্ৰ্য আইন—Biological Diversity Act
ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য প্ৰাধিকৰণ—National Biodiversity Authority
ৰাজ্যিক জৈৱ বৈচিত্ৰ্য পৰিষদ—State Biodiversity Board
পৰম্পৰাগত জ্ঞান—traditional knowledge
অনুজ্ঞাপত্ৰ—license
বিশিষ্টতা, বিশিষ্ট—distinctness, distinct
সদৃশতা বা একৰূপতা, সদৃশ বা একৰূপী—uniformity, uniform
স্থিৰতা, স্থিৰ—stability, stable
নামাংকন—denomination
নতুনত্ব বা অভিনৱত্ব, নতুন বা অভিনৱ—newness or novelty, new or novel
আহৰণ আৰু লাভাংশ বিতৰণ—access and benefit sharing



# বৌদ্ধিক সম্পত্তি অধিকাৰৰ থুলমূল আভাস

আমাৰ সকলোৰে কম বেছি পৰিমাণে নিজা নিজা সম্পত্তি আছে। ধনীসকলৰ সম্পত্তি বেছি আৰু দুখীয়াসকলৰ কম। গাঁৱৰ দৰিদ্ৰজনৰ অন্য নেথাকিলেও মাটি ভেটিৰে নিজা ঘৰ এখন আৰু জীৱন যাপনৰ সাৰথি দুই এপদ হ'লেও সামগ্ৰী থাকে। সেয়াই তেওঁৰ বাবে সম্পত্তি । সম্পত্তি বুলিলে আমি যি বুজো তাৰ অন্তৰালত আছে সম্পত্তিৰ ওপৰত অধিকাৰ। আৰু সম্পত্তি বুলিলে একোটা মূল্যও সংলগ্ন হৈ থাকে। মূলতঃ এই অধিকাৰ সমাজে স্বীকৃতি দিয়া অধিকাৰ। সমাজৰ স্বীকৃতিৰ ওপৰত ভিত্তি কৰি দেশৰ শাসনতন্ত্ৰই আমাক আমাৰ সম্পত্তিৰ অধিকাৰ প্ৰদান কৰিছে। এসময়ত ৰজাই ৰাইজক অধিকাৰ প্ৰদান কৰিছিল আৰু বৰ্তমান গণতন্ত্ৰৰ যুগত সংসদ আৰু বিধানসভাই স্বীকৃতি প্ৰদান কৰা আইনগত অধিকাৰ। যিহেতু বিধায়ক আৰু সাংসদসকলক সমাজে নিৰ্বাচন কৰি পঠায় সেয়ে মূলত এই অধিকাৰবোৰ সমাজস্বীকৃত অধিকাৰ। দেশৰ আইনে আমাক আমাৰ সম্পত্তিৰ অধিকাৰ প্ৰদান কৰিছে। দেশৰ আইনৰ দ্বাৰা অনুমোদিত পন্থাৰে গোটোৰা সম্পত্তি বৈধ সম্পত্তি আৰু আইন বৰ্হিভূতভাৱে গোটোৰা সম্পত্তিবোৰ অবৈধ

সম্পত্তি, যাৰ ওপৰত আমাৰ অধিকাৰ নাই। সেয়ে তেনে সম্পত্তিৰ বিপক্ষে আইনগত ব্যৱস্থা দেশে ল'ব পাৰে।

এয়া হ'ল আমি চকুৰে দেখা আৰু হাতেৰে চুব পৰা আমাৰ সম্পত্তিবিলাকৰ ওপৰত থকা আমাৰ নিজা অধিকাৰ। ব্যক্তিগতভাৱে আহৰণ কৰা সম্পত্তিৰ ওপৰত ব্যক্তিগত অধিকাৰ আৰু ৰাজহুৱা সম্পত্তিৰ ওপৰত নিৰ্দিষ্ট ৰাইজ বা চৰকাৰৰ অধিকাৰ।

এতিয়া আহোঁ সৃষ্টিশীল মানুহৰ সাৰুৱা মস্তিষ্কৰপৰা উদ্ভাৱন কৰা বিভিন্ন সৃষ্টি আৰু আৱিস্কাৰসমূহৰ কথালৈ। শিল্প, সাহিত্য, সংগীত, নাটক আদিৰ সৃষ্টি। আধুনিক যুগৰ বিভিন্ন বৈজ্ঞানিক সৃষ্টিসমূহ ইত্যাদি। এই সৃষ্টিসমূহ, নোহোৱা হ'লে আজি পৃথিৱীখন আৰু আমাৰ জীৱন প্ৰণালী এতিয়াৰ ৰূপত পালোহেঁতেন? মানুহৰ সৃষ্টি আৰু সৰু-বৰ আৱিস্কাৰসমূহে আমাৰ জীৱন-ধাৰণৰ গতি সলাই পেলাইছে। সাধাৰণ বেজি এটাৰপৰা উৰাজাহাজলৈ, পাঠ্যপুথিৰ পৰা গল্প, উপন্যাসলৈ, কম্পিউটাৰৰপৰা টেলিভিছনলৈ, ঘৰত ব্যৱহৃত বিভিন্ন সা-সৰঞ্জাম আদি সকলো মানুহৰ মস্তিষ্কৰেই সৃষ্টি। সকলো লোকৰে সৃষ্টি কৰিবপৰা মগজু বা ভালকৈ চিন্তা কৰিব পৰা মন একোটা থাকে। কিন্তু কিছুলোকে নিৰলস মানসিক প্ৰচেষ্টা চলাই নতুন সৃষ্টি কৰিব পাৰে। এজন লোকে ধ্যান ধাৰণাৰে সমাজৰ উপকাৰত অহা কিছুমান নতুন সামগ্ৰী সৃষ্টি কৰে বা প্ৰযুক্তি আৱিস্কাৰ কৰে। এইবিলাক সৃষ্টিৰ মূল্য আছে। মনৰ এই উদ্ভাৱনীবোৰেই হ'ল বৌদ্ধিক সম্পত্তি। সাধাৰণ সম্পত্তিৰ দৰেই বৌদ্ধিক সম্পত্তিৰ ওপৰতো উদ্ভাৱনকাৰীৰ অধিকাৰ আছে। এই অৰ্থত সম্পত্তি অধিকাৰ মানৱ অধিকাৰৰ এটা দিশ। বৌদ্ধিক সম্পত্তি অধিকাৰো সমাজ স্বীকৃত আৰু দেশৰ আইনসন্মত অধিকাৰ। এইখিনিতে অৱশ্যে এটা কথা উল্লেখ কৰা সমীচিন হ'ব যে সাধাৰণ স্পৰ্শনীয় সম্পত্তিয়েই হওক বা অস্পৰ্শনীয় বৌদ্ধিক সম্পত্তিয়েই হওক, সম্পত্তিৰ



অধিকাৰ আমাৰ দেশত মৌলিক অধিকাৰৰূপে গণ্য কৰা নহয়। ৰাজহুৱা স্বাৰ্থত আমাৰ সম্পত্তিবোৰ ৰাষ্ট্ৰই অধিগ্ৰহণ বা নিয়ন্ত্ৰণ কৰিব পাৰে।

আধুনিক অৰ্থনীতিক কোৱা জ্ঞানভিত্তিক প্ৰযুক্তি নিৰ্ভৰ অৰ্থনীতি। যিবিলাক উদ্যোগত প্ৰযুক্তি বা জ্ঞান প্ৰয়োগ হৈছে সেইবিলাক উদ্যোগ আৰ্থিকভাৱে আগবাঢ়ি গৈছে। গতিকে বৌদ্ধিক সম্পত্তিৰ অৰ্থনৈতিক বা বাণিজ্যিক মূল্য অভাৱনীয়ভাৱে বেছি হ'ব পাৰে। জ্ঞানভিত্তিক বৌদ্ধিক সম্পত্তি অধিকাৰে আজি পৃথিৱীৰ সকলো দেশতে আইনগত স্বীকৃতি লাভ কৰিছে। স্থানীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বৌদ্ধিক সম্পত্তি অধিকাৰ আন্তৰ্জাতিক বাণিজ্যত গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। ১৯৯২-১৯৯৪ চনত ব্ৰাজিলৰ ৰাজধানী ৰিওত চলা দীঘলীয়া পৃথিৱী সন্মিলনত বৌদ্ধিক সম্পত্তি অধিকাৰে ভীষণ বিতৰ্কৰ সৃষ্টি কৰিছিল। সকলো বিতৰ্কৰ ওৰ পেলাই ১৯৯৪ চনত অংশগ্ৰহণকাৰী দেশসমূহে বিশ্ব বাণিজ্য সংস্থা নামৰ এক প্ৰভাৱশালী আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানৰ জন্ম দিয়ে আৰু ১৯৯৫ চনৰ পহিলা জানুৱাৰীৰ পৰা বিশ্ব বাণিজ্য সংস্থা কাৰ্যকৰী হয়। বিশ্ব বাণিজ্য সংস্থাৰ কেইবাখনো চুক্তি আছে। তাৰ ভিতৰত বৌদ্ধিক সম্পত্তি অধিকাৰ সম্পৰ্কীয় গুৰুত্বপূৰ্ণ চুক্তিখন হ'ল বাণিজ্য সম্পৰ্কীয় বৌদ্ধিক সম্পত্তি অধিকাৰ চুক্তি (Agreement on trade related aspects of intellectual property rights), চমুকৈ ইয়াক ট্ৰিপচ্ চুক্তি (TRIPS Agreement) বুলি কোৱা হয়। এই চুক্তিত আঠ প্ৰকাৰৰ বৌদ্ধিক সম্পত্তিৰ সংজ্ঞা দিয়া হৈছে আৰু বিশ্ব বাণিজ্য সংস্থাৰ সদস্য দেশসমূহে পালন কৰিব লগা ন্যূনতম মানদণ্ড বান্ধি দিয়া হৈছে। সদস্য দেশসমূহে এক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত এই চুক্তি ৰূপায়ন কৰাটো বাধ্যতামূলক। ভাৰতৰ দৰে উন্নয়নশীল দেশত সেই সময়সীমা আছিল দহ বছৰ, অৰ্থাৎ ১৯৯৫ চনৰ পৰা ২০০৫ চনলৈ দহ বছৰত

ট্রিপচ্ চুক্তিত ধাৰ্য কৰা বৌদ্ধিক সম্পত্তি অধিকাৰ সুৰক্ষাৰ হেতু প্ৰণয়ন কৰা আইনসমূহ কাৰ্যকৰী কৰাৰ শেষ সময়সীমা আছিল এক জানুৱাৰী, ২০০৫।

ট্রিপচ্ চুক্তিত উল্লেখ কৰা বৌদ্ধিক সম্পত্তি অধিকাৰ আঠবিধ হ'ল—

১। কপিৰাইট অৰ্থাৎ প্ৰতিলিপিস্বত্ব বা সাধাৰণভাৱে জনাজাত গ্ৰন্থস্বত্ব (Copy right)

২। ট্ৰেডমাৰ্ক বা বাণিজ্য চিহ্ন (Trademark)

৩। ভৌগোলিক সূচনা (Geographical indication)

৪। অভিকল্পনা বা আৰ্হি (Design)

৫। পেটেণ্ট বা কৃতিস্বত্ব (Patent)

৬। উদ্ভিদ প্ৰজননবিদৰ অধিকাৰ (Plant breeder's right)

৭। সমন্বিত বৰ্ত্তনীৰ আৰ্হি (Integrated circuit design)

৮। অপ্ৰকাশিত তথ্য বা বাণিজ্য ৰহস্য (Undisclosed information or Trade secret)

ভাৰতত বাণিজ্য ৰহস্যক বাদ দি বাকী সাতবিধ বৌদ্ধিক সম্পত্তি সুৰক্ষাৰ বাবে ট্রিপচ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সাতখন আইন প্ৰণয়ন কৰি কাৰ্যকৰী কৰা হৈছে। তাৰ ভিতৰত দুখন আইন — প্ৰতিলিপিস্বত্ব আৰু কৃতিস্বত্বৰ আইন দুখন ক্ৰমে ১৯৫৭ আৰু ১৯৭০ চনতে প্ৰণয়ন হৈ কাৰ্যকৰী হৈ আছিল। কিন্তু ট্রিপচ অনুমোদিত ধাৰাসমূহ অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰতিলিপিস্বত্ব আইন (১৯৫৭) খন ১৯৯৯ আৰু কৃতিস্বত্ব আইন (১৯৭০) খন ১৯৯৯, ২০০২ আৰু ২০০৫ত সংশোধন কৰা হৈছিল। বৰ্তমান কাৰ্যকৰী হোৱা বাকীখিনি আইন হ'ল বাণিজ্য চিহ্ন আইন ১৯৯৯; ভৌগোলিক সূচনা সুৰক্ষা আইন ১৯৯৯, অভিকল্পনা



আইন ২০০০; উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইন ২০০১ আৰু সমন্বিত বৰ্ত্তনীৰ আৰ্হি আইন ২০০০। সাতবিধ বৌদ্ধিক সম্পত্তিস্বত্ব সুৰক্ষাৰ বাবে চৰকাৰী নিৰ্দিষ্ট বিভাগৰ অধীনত পঞ্জীয়নৰ কাৰ্যালয় খোলা হৈছে। বাণিজ্য ৰহস্যৰ কোনো নিৰ্দিষ্ট আইন বা পঞ্জীয়নৰ ব্যৱস্থা নাই। কাৰণ পঞ্জীয়ন কৰিলেই বাণিজ্য ৰহস্য ফাদিল হৈ যোৱাৰ সম্ভাৱনা অধিক। গতিকে ব্যাণিজ্য ৰহস্য অনৈতিকভাৱে ব্যৱহাৰ ৰোধ কৰিবলৈ দেশৰ সাধাৰণ আইনৰ সহায়ত ন্যায় প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে।

১। **প্ৰতিলিপি স্বত্ব** ঃ কপিৰাইট বা প্ৰতিলিপি স্বত্বৰ বিষয়বস্তু হ'ল সাহিত্য, শিল্প, সংগীত, নাটক, ৰেডিঅ' বা টেলিভিছন সম্প্ৰচাৰ, আলোকচিত্ৰ, কম্পিউটাৰ প্ৰগ্ৰেম আদি। প্ৰতিলিপিস্বত্বই এইবিলাক বিষয়ৰ বাণিজ্যিক ভিত্তিত প্ৰতিলিপি কৰাৰ স্বত্ব প্ৰদান কৰে। এইবিধ বৌদ্ধিক সম্পত্তি অধিকাৰে কেৱল প্ৰকাশভংগী বা ৰচনা শৈলীকহে সুৰক্ষা দিয়ে, ৰচনাৰ বিষয়বস্তুক সুৰক্ষা নিদিয়ে। গতিকে একেটা বিষয়বস্তুক কেন্দ্ৰ কৰি ৰচনা কৰা বিভিন্ন গ্ৰন্থ বা শিল্পৰ প্ৰত্যেক গ্ৰন্থকাৰ বা শিল্পীয়ে প্ৰতিলিপিস্বত্ব লাভকৰিব পাৰে। প্ৰতিলিপিস্বত্ব ভাৰতত গ্ৰন্থকাৰ বা শিল্পীয়ে জীৱন কাল উপভোগ কৰিব পাৰে আৰু গ্ৰন্থকাৰ/শিল্পীৰ মৃত্যুৰ পিছতো উত্তৰাধিকাৰীয়ে ৬০বছৰ প্ৰতিলিপিস্বত্ব ভোগ কৰিব পাৰে। প্ৰতিলিপিস্বত্বৰ পঞ্জীয়নৰ বাবে ভাৰতত উচ্চ শিক্ষা বিভাগৰ অধীনত (মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়) নতুন দিল্লীত পঞ্জীয়ন কাৰ্যালয় আছে। প্ৰতিলিপি স্বত্ব পঞ্জীয়ন কৰিবলৈ গ্ৰন্থ বা শিল্প নিজা সৃষ্টি হ'ব লাগিব অৰ্থাৎ অন্যৰ পৰা অনুকৰণ কৰা হ'ব নালাগিব। কিন্তু প্ৰতিলিপি স্বত্ব পঞ্জীয়ন নকৰিলেও গ্ৰন্থ বা শিল্প সৃষ্টিৰ লগে লগে প্ৰতিলিপি স্বত্ব স্বভাৱিকভাৱে লাভ কৰে। ৰেডিঅ'/টেলিভিছন সম্প্ৰচাৰৰ বাবে প্ৰথম সম্প্ৰচাৰৰ তাৰিখৰ পৰা ২৫বছৰ আৰু অভিনয় আদি প্ৰদৰ্শনৰ

বাবে প্ৰথম প্ৰদৰ্শনীৰ তাৰিখৰ পৰা ৫০বছৰলৈকে প্ৰতিলিপিস্বত্ব ভোগ কৰিব পাৰে। প্ৰতিলিপিস্বত্ব ভংগ কৰাটো অপৰাধমূলক দোষ বুলি গণ্য কৰা হয় আৰু তাৰ বাবে আইনত জৰিমণা আৰু কাৰাবৰণৰ শাস্তিৰ বিধান দিয়া হৈছে।

২। **বাণিজ্যচিহ্ন ঃ** বাণিজ্যচিহ্নই কোনো ব্যৱসায়িক সামগ্ৰী প্ৰস্তুত কৰোঁতা বা সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানৰ পৰিচয় সূচায়। বাণিজ্যচিহ্নৰ যোগেদিয়েই গ্ৰাহকে প্ৰস্তুত কৰোঁতাৰ পৰিচয় পায় আৰু সেই সামগ্ৰী বা সেৱাৰ ওপৰত বিশ্বাস স্থাপন কৰিব পাৰে। ভাৰতত বাণিজ্যচিহ্ন পঞ্জীয়ন কৰা তাৰিখৰ পৰা ১০ বছৰলৈ সুৰক্ষিত হয়। সেই ম্যাদ ১০ বছৰকৈ পুনঃ পুনঃ নবীকৰণ কৰি থাকিব পাৰে। পঞ্জীয়ন নকৰা বাণিজ্যচিহ্ন সাধাৰণ আইনৰ যোগেদি সুৰক্ষিত হ'ব পাৰে। বাণিজ্যচিহ্ন পঞ্জীয়নৰ বাবে ক'লকতা, দিল্লী, চেন্নাই, মুম্বাই আৰু আহমদাবাদত কাৰ্যালয় আছে। পঞ্জীয়নযোগ্য হ'বলৈ হ'লে বাণিজ্যচিহ্ন বজাৰত প্ৰচলিত কোনো বাণিজ্যচিহ্নৰ লগত সাদৃশ্য থাকিব নালাগিব অৰ্থাৎ বাণিজ্যচিহ্ন স্পষ্টকৈ নিজা বৈশিষ্ট্যপূৰ্ণ হ'ব লাগিব।

৩। **ভৌগোলিক সূচনা ঃ** আমাৰ বিভিন্ন অঞ্চলত এনে কিছুমান সামগ্ৰী আছে যিবিলাকৰ বিশিষ্ট গুণৰ বাবে বজাৰত সুনাম আছে। পৰম্পৰাগতভাৱে সামূহিক জ্ঞানেৰে উৎপাদিত বা প্ৰস্তুত এইবিলাক সামগ্ৰী কোনো লোকৰ ব্যক্তিগত সম্পত্তি বুলি ক'ব নোৱাৰি; অথচ বিশিষ্ট গুণমান বা স্বাদৰ বাবে গ্ৰাহকৰ মাজত সুবিদিত আৰু সেই গুণৰ কাৰণ হ'ল সেই সামগ্ৰী উৎপাদিত বা প্ৰস্তুত হয় এক বিশেষ ভৌগোলিক অঞ্চলত। প্ৰাকৃতিক মাটি, জলবায়ু আৰু মানুহৰ হাতৰ পৰশত সেই সামগ্ৰীৰ বিশেষ গুণ আৰোপিত হয়। যেনে অসমৰ মুগা, ৰেচম, দাৰ্জিলিঙৰ চাহপাত, অসমৰ চাহ, বানাৰসী শাৰী ইত্যাদি। ভৌগোলিক সূচনা পৰম্পৰাগত জ্ঞানভিত্তিক বৌদ্ধিক সম্পত্তি। আমাৰ



থলুৱা আৰু গ্ৰাহকৰ সমাদৰ থকা প্ৰাকৃতিক, কৃষিভিত্তিক আৰু প্ৰস্তুতকৃত সামগ্ৰীসমূহ ভৌগোলিক সূচনাৰূপে পঞ্জীয়ন কৰিব পাৰি। তেনে কৰিলে সেই সামগ্ৰী উৎপাদনত জড়িত প্ৰকৃত লোকসকল অৰ্থনৈতিকভাৱে লাভবান হ'ব, কাৰণ তেতিয়াহে সেই সামগ্ৰী সেই ভৌগোলিক অঞ্চলৰ বাহিৰত প্ৰস্তুত কৰিব নোৱাৰিব। উদাহৰণ স্বৰূপে অসমৰ বহু জনপ্ৰিয় গামোছা আৰু সৰ্থেবাৰীৰ কাঁহ, পিতলৰ সামগ্ৰীৰ ভোগেলিক সূচনা পঞ্জীয়ন হ'লে এই দুই সামগ্ৰী প্ৰস্তুত কৰা স্থানীয় লোকসকল লাভবান হ'ব। তেতিয়া বাহিৰৰ পৰা গামোছা বা কাঁহৰ বাচন-বৰ্তন আমদানি কৰিব নোৱাৰিব।

ভৌগোলিক সূচনা পঞ্জীয়নৰ বাবে চেন্নাইত কাৰ্যালয় আছে। পঞ্জীয়ন হ'লে ১০ বছৰৰ বাবে পঞ্জীয়ন কৰা সংস্থা বা বিভাগে একচেটিয়া অধিকাৰ পাব আৰু সেই ভৌগোলিক সূচনা ব্যৱহাৰ কৰা লোকসকলেও ১০ বছৰৰ বাবে ব্যৱহাৰকাৰী হিচাপে একচেটিয়া অধিকাৰ পাব। ১০ বছৰৰ পাছত পুনঃ পুনঃ ১০ বছৰকৈ ভৌগোলিক সূচনাৰ নবীকৰণ কৰিব পাৰি।

৪। **অভিকল্পনা বা ঔদ্যোগিক আৰ্হি ঃ** বজাৰলৈ উলিয়াই দিয়া প্ৰায় সকলো সামগ্ৰীৰে চাই ভাল লগা ৰূপ দিয়া হয়। সেই ৰূপ কেৱল চকুৰ তৃপ্তিৰ বাবেহে; ই সামগ্ৰীবিধৰ কামত কোনো সহায় নকৰে। অভিকল্পনা পঞ্জীয়ন কৰিবলৈ হ'লে সি হ'ব লাগিব নতুন আৰু বৈশিষ্ট্যপূৰ্ণ। বজাৰত ইতিমধ্যে থকা সামগ্ৰীৰ অভিকল্পনাৰ লগত সাদৃশ্য থাকিব নালাগিব। দিল্লী, ক'লকতা, চেন্নাই আৰু মুম্বাইত অভিকল্পনাৰ পঞ্জীয়নৰ আবেদন গ্ৰহণ কৰা হয় যদিও কেৱল ক'লকতাতহে সকলো আবেদনৰ পৰীক্ষা কৰা হয়। কোনো সামগ্ৰীত আৰোপ কৰিব পৰা মনোগ্ৰাহী অভিকল্পনা তৈয়াৰ কৰা সৃষ্টিশীল শিল্পীসকলে উচ্চ হাৰত উপাৰ্জন কৰিব পাৰে।

৫। **পেটেণ্ট বা কৃৰ্তি স্বত্ব ঃ** বৈজ্ঞানিক আৱিস্কাৰ বিলাকৰ বাবে পেটেণ্ট দিয়া হয়। পেটেণ্ট পাবৰ বাবে তিনিটা চৰ্ত পূৰণ কৰিব লাগে— নতুনত্ব, আৱিস্কাৰ ধৰ্মিতা আৰু ঔদ্যোগিক উপযোগিতা। অৰ্থাৎ কোনো প্ৰযুক্তি (প্ৰক্ৰিয়া অথবা সামগ্ৰী) পেটেণ্ট যোগ্য তেতিয়াহে হ'ব যেতিয়া ই সম্পূৰ্ণ নতুন অৰ্থাৎ পৃথিৱীৰ ক'তো নোপোৱা বা নজনা। দ্বিতীয়তে আৱিস্কাৰকে সেই প্ৰযুক্তি উদ্ভাৱন কৰোতে এনে বুদ্ধি প্ৰয়োগ কৰিব লাগিব যাতে একে বিষয়ত বুৎপত্তি থকা অন্য ব্যক্তিৰ সহজবোধ্য নহয়। তৃতীয়তে নতুন আৱিস্কাৰটোৰ কিবা নহয় কিবা কামত ব্যৱহাৰ হ'ব লাগিব। ট্ৰিপচ চুক্তিৰ আধাৰত ভাৰতকে ধৰি সকলো দেশতে পেটেণ্ট অফিচত আবেদন দাখিল কৰা তাৰিখৰ পৰা বিশ বছৰৰ বাবে পেটেণ্ট দিয়া হয়।

কোনো এক নতুন প্ৰক্ৰিয়া বা সামগ্ৰী উদ্ভাৱনৰ বাবে যেতিয়া কোনো ব্যক্তিয়ে চৰকাৰী পেটেণ্ট অফিচত দাখিল কৰা নিৰ্দিষ্ট দৰ্খাস্তৰ যোগেদি পেটেণ্ট লাভ কৰে তেতিয়া তেওঁ তলত দিয়া অধিকাৰসমূহ একচেতিয়াভাৱে লাভ কৰে।

১। পেটেণ্ট পোৱা প্ৰযুক্তিটো অৰ্থনৈতিকভাৱে একচেতিয়াভাৱে ব্যৱহাৰ কৰাৰ অধিকাৰ।

২। পেটেণ্ট যুক্ত প্ৰযুক্তি অন্যক ব্যৱহাৰ কৰিবলৈ অনুজ্ঞাপত্ৰ দিয়াৰ অধিকাৰ অথবা পেটেণ্টৰ অধিকাৰটোকে তৃতীয় পক্ষক বিক্ৰী কৰাৰ অধিকাৰ।

৩। পেটেণ্ট অধিকাৰ ত্যাগ কৰাৰ অধিকাৰ।

৪। পেটেণ্টৰ মালিকৰ অনুমতিবিহীন ভাৱে পেটেণ্ট যুক্তপ্ৰযুক্তি অন্য কোনোবাই অৰ্থনৈতিকভাৱে ব্যৱহাৰ কৰিলে তাক বাধা দিয়াৰ অধিকাৰ।

পেটেণ্টৰ বাবে দৰ্খাস্ত দাখিলৰ বাবে ভাৰতত ক'লকতা, দিল্লী, মুম্বাই আৰু চেন্নাইত নিৰ্দিষ্ট আঞ্চলিক এক্তিয়াৰ ভিত্তিত চাৰিটা অফিচ



আছে। ক'লকাতা হ'ল প্ৰধান কাৰ্যালয়।

ভাৰতৰ পেটেণ্ট আইন ১৯৭০ চনত প্ৰণয়ন কৰা হৈছিল। ট্ৰিপচ্ চুক্তিৰ ধাৰাবোৰ ৰূপায়ন কৰিবৰ বাবে এই আইন ১৯৯৯, ২০০২ আৰু ২০০5 চনত তিনিবাৰ সংশোধন কৰাহৈছিল। পেটেণ্টৰ যোগেদি লাভ কৰা একচেটিয়া অধিকাৰৰ অপপ্ৰয়োগ হ'লে সমাজ তথা দেশৰ জনসাধাৰণৰ ওপৰত কু-প্ৰভাৱ পৰিব পাৰে। হ'লেও বিশ বছৰৰ বাবে লাভ কৰা পেটেণ্টৰ যোগেদি একচেটিয়া অধিকাৰ প্ৰদান কৰা ব্যক্তিজনক সমাজৰ কামত অহা নতুন উদ্ভাৱন কৰিবলৈ উৎসাহিত কৰা হয়। পেটেণ্ট অধিকাৰ অৰ্থনৈতিকভাৱে ব্যৱহাৰ কৰি আৰ্থিকভাৱে তেওঁ লাভৱান হ'ব পাৰে।

পেটেণ্ট দিয়া হয় বৈজ্ঞানিক আৱিস্কাৰৰ বাবে। আমাৰ দৈনন্দিন জীৱনত বৈজ্ঞানিক সৰু বৰ আৱিস্কাৰসমূহে প্ৰতিটো মুহূৰ্ততে প্ৰভাৱ পেলাইছে। বিশেষকৈ স্বাস্থ্য আৰু কৃষি খণ্ডত পেলাব পৰা প্ৰভাৱৰ বাবে পেটেণ্ট লৈ সমাজত বিতৰ্কও হোৱা দেখা যায়। জীৱনৰক্ষী দৰৱ আৰু কৃষিখণ্ডত ব্যৱহাৰ হোৱা ৰাসায়নিক দ্ৰব্য আৰু খাদ্য সামগ্ৰীৰ দাম পেটেণ্টৰ যোগেদি লাভ কৰা একচেটিয়া অধিকাৰৰ বাবে জনসাধাৰণৰ ক্ৰয়ক্ষমতাৰ বাহিৰলৈ গুচি যোৱাৰ সম্ভাৱনা নথকা নহয়। সেই বাবে ভাৰত চৰকাৰে কিছুমান প্ৰযুক্তি পেটেণ্ট প্ৰদানৰ বাহিৰত ৰাখিছে আৰু অন্য কিছু জৰুৰী পৰিস্থিতত পেটেণ্ট অধিকাৰ নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থাও ৰাখিছে। বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ যোগেদি পেটেণ্টযুক্ত সামগ্ৰী স্বত্বাধিকাৰীৰ অনুমতি নোলোৱালৈকে তৃতীয়পক্ষক প্ৰস্তুত কৰিবলৈ স্বত্বদান কৰিব পাৰে।

৬। **ইলেকট্ৰনিক সামগ্ৰীৰ সমন্বিত বৰ্তনীৰ আৰ্হি** ঃ অলেখ আধুনিক সামগ্ৰী কৰ্মক্ষম কৰিবৰ বাবে ইলেক্ট্ৰনিক আৰ্হি বা নক্সা ব্যৱহাৰ কৰা হয়। এই নক্সা উদ্ভাৱনকাৰী সৃষ্টিশীল ব্যক্তিসকলৰ লাভবান হোৱাকৈ উৎসাহ যোগাবৰ বাবে সমন্বিত বৰ্তনীৰ নক্সাৰ সমন্বিত বৰ্তনী নক্সা

সুৰক্ষা আইন ২০০০-প্ৰণয়ন কৰা হৈছে। এই আইনৰ যোগেদি নতুন সমন্বিত বৰ্তনীৰ নক্সাৰ বাবে বৰ্তনী ব্যৱহাৰৰ বাবে কৰা দৰ্খাস্ত চৰকাৰী অফিচত দাখিল কৰা তাৰিখৰ পৰা দহ বছৰলৈকে একচেটিয়া অধিকাৰ প্ৰদান কৰা হয়।

৭। **উদ্ভিদ প্ৰজননবিদৰ অধিকাৰ বা উদ্ভিদজাতৰ সুৰক্ষা ঃ** নতুন উদ্ভিদজাত উদ্ভাৱন কৰা উদ্ভিদ প্ৰজননবিদৰ কৌশলী আৰু সৃষ্টিশীল কৰ্ম। অধিক উৎপাদনক্ষম, ৰোগ আৰু কীট প্ৰতিৰোধী তথা অধিক খাদ্যগুণযুক্ত জাতসমূহ কৃষি উৎপাদনৰ বাবে অপৰিহাৰ্য আৰু ইবিলাকে কৃষকৰ সমৃদ্ধি সবল কৰাত অপৰিসীম অৰিহণা যোগাই আহিছে। গতিকে উদ্ভিদজাত উদ্ভাৱনকো বৌদ্ধিক সম্পত্তিৰ তালিকাভুক্ত কৰা হৈছে যাতে প্ৰজননবিদসকলে নতুন নতুন জাত উদ্ভাৱন কাৰ্যত ব্ৰতী হ'বলৈ অনুপ্ৰেৰণা লাভ কৰে।

ট্ৰিপচ চুক্তিৰ ২৭ নং দফাৰ (গ) অনুচ্ছেদৰ মতে সদস্য দেশসমূহত উদ্ভিদজাতৰ সুৰক্ষা প্ৰদান কৰাটো বাধ্যতামূলক। ট্ৰিপছৰ ২৭ নং দফাটো হৈছে পেটেণ্ট সম্পৰ্কে। ট্ৰিপচে উদ্ভিদজাতৰ সুৰক্ষা অৰ্থাৎ প্ৰজননবিদৰ অধিকাৰ প্ৰদানৰ তিনিটা বিকল্প আগবঢ়াইছে। সেই কেইটা হ'ল— (ক) নতুন উদ্ভিদজাত উদ্ভাৱনৰ বাবে পেটেণ্ট প্ৰদান কৰা, বা (খ) এক অনন্য প্ৰণালীৰ ( Sui generis system) যোগেদি উদ্ভিদজাতৰ সুৰক্ষা প্ৰদান কৰা, নাইবা (গ) পেটেণ্ট আৰু অনন্য প্ৰণালীৰ সংমিশ্ৰণ কৰি এক ব্যৱস্থা গ্ৰহণ কৰা। ভাৰতে ইয়াৰ ভিতৰত দ্বিতীয়তো বিকল্প গ্ৰহণ কৰি উদ্ভিদজাত সুৰক্ষা আৰু কৃষক অধিকাৰ আইন, ২০০১ নামৰ এক অনন্য প্ৰণালী গ্ৰহণ কৰে। উল্লেখ্য যে ভাৰতত উদ্ভিদজাতৰ পেটেণ্ট দিয়া নহয়।

এই আইনত চাৰিবিধ অধিকাৰ প্ৰদান কৰা হৈছে। তাৰ প্ৰধান অধিকাৰবিধ, যাক প্ৰকৃততে বৌদ্ধিক সম্পত্তি বুলি গণ্য কৰিব পাৰি,



হৈছে উদ্ভিদ প্ৰজননবিদৰ অধিকাৰ। ইয়াৰ দ্বাৰা যেতিয়া প্ৰজননবিদে কোনো নতুন বা প্ৰচলিত জাতৰ পঞ্জীয়ন কৰে তেতিয়া সেই জাতটোৰ বীজ উৎপাদন আৰু তাৰ ব্যৱসায়িক লেনদেন আৰু আমদানি-ৰপ্তানিৰ একচেটিয়া অধিকাৰ লাভ কৰে আৰু প্ৰজননবিদৰ অনুমতি নোহোৱাকৈ সেই জাতৰ কোনোৱেই উৎপাদন বা ব্যৱসায় কৰিব নোৱাৰে। এই অধিকাৰ উদ্ভিদজাত সুৰক্ষা আৰু কৃষক অধিকাৰ প্ৰাধিকৰণে জাননী জাৰী কৰা শস্যৰ জাতৰ পঞ্জীয়ন কৰা তাৰিখৰ পৰা বাৰ্ষিক আৰু দ্বি-বাৰ্ষিক শস্যৰ বাবে ১৫ আৰু ডাঙৰ গছ আৰু লতাজাতীয় শস্যৰ বাবে ১৮ বছৰলৈকে ভোগ কৰিব পাৰে। বৰ্তমান ভাৰতত উঃ জাঃ সুঃ ও কৃঃ অঃ প্ৰাধিকৰণে ৯২ বিধ উদ্ভিদ শস্যৰ পঞ্জীয়নৰ বাবে জাননী জাৰি কৰিছে। পঞ্জীয়নৰ বাবে নতুন জাতৰ বাবে চাৰিটা চৰ্ত আৰু বিদ্যামান জাতৰ বাবে তিনিটা চৰ্ত পূৰণ কৰিব লাগে। এই চৰ্তকেইটা হ'ল— নতুনত্ব, বিশিষ্টতা, সদৃশ্যতা আৰু স্থিৰতা। নতুন জাতে এই চাৰিটা আৰু প্ৰচলিত জাতে নতুনত্ব বাদ দি বাকী তিনিটা চৰ্ত পূৰণ কৰিব লাগে। নতুনত্ব মানে পঞ্জীয়নৰ দৰ্খাস্ত দাখিল কৰাৰ এবছৰতকৈ বেছি দিনৰ আগতে জাতটোৰ ব্যৱসায়িক উৎপাদনৰ বাবে মুকলি কৰিব নালাগিব। বিশিষ্টতাই সূচায় যে জাতটোৰ কমেও এটা অনুবংশিক চৰিত্ৰ বা গুণ থাকিব লাগে যাৰ দ্বাৰা স্পষ্টকৈ জানিব পৰা যায় যে সেই জাতটো একে শস্যৰ অন্য জাতৰ পৰা পৃথক। সদৃশতাই বুজায় যে জাতটোৰ উদ্ভিদ বিলাকৰ যথেষ্ট পৰিমাণে সেই বিশিষ্ট গুণৰ সাদৃশ্য আছে। স্থিৰতাই বুজায় যে যি বিশিষ্টতাৰ বাবে জাতটোৰ সুকীয়া পৰিচয় আছে সেই বিশিষ্টতা বছৰি বছৰি খেতি কৰি থাকিলে ভাগি নগৈ স্থিৰ হৈ থাকে। তদুপৰি জাত পঞ্জীয়ন কৰিবলৈ প্ৰজননবিদে যথোপযুক্তভাৱে জাতটোৰ নামাকৰণ কৰিব লাগে।

আইনখনত প্ৰদান কৰা দ্বিতীয়বিধ অধিকাৰ হ'ল কৃষকৰ

অধিকাৰ। ওপৰত কৈ অহা হৈছে যে প্ৰজননবিদৰ একচেটিয়া অধিকাৰৰ বাবে অনুমতিবিহীন ভাৱে অন্য ব্যক্তিয়ে পঞ্জীয়নকৃত জাতৰ উৎপাদন বা বীজ ৰাখিব নোৱাৰিব। তেন্তে কৃষকসকলে প্ৰজননবিদৰ অনুমতি নোলোৱাকৈ পঞ্জীয়নকৃত জাতৰ খেতি কৰিব বা বীজ ৰাখিব নোৱাৰিব নেকি ? তেনেহ'লে প্ৰাগৈতিহাসিক কালৰ পৰা পৰম্পৰাগতবাৱে ভোগ কৰি অহা কৃষকৰ মৌলিক (মানৱ) অধিকাৰ এই আইনে খৰ্ব নকৰিবনে ? যি কৃষক সম্প্ৰদায়ে সভ্যতাৰ বিভিন্ন স্তৰত আমাৰ সকলো শস্য বনৰীয়া অৱস্থাৰ পৰা আনি খেতি আৰম্ভ কৰিলে আৰু পৃথিৱীৰ সকলোৰে খাদ্য সুৰক্ষাৰ ভেঁটি ৰচনা কৰিলে, সেই কৃষক সম্প্ৰদায়েই বৌদ্ধিক সম্পত্তিৰ কালত কৃষি কাৰ্য কৰা আৰু জীয়াই থকাৰ অধিকাৰো হেৰুৱাব নেকি ? ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাত এই বিষয়ে এক গুৰুত্বপূৰ্ণ আলোচনা চলিছিল আৰু তাৰ ফলশ্ৰুতিত খাদ্য আৰু কৃষিৰ বাবে উদ্ভিদ সম্পদৰ আন্তঃৰাষ্ট্ৰীয় সন্ধি নামৰ এক চুক্তি সম্পাদন হয়। ভাৰতৰ প্ৰখ্যাত কৃষি বিজ্ঞানী ড°এম. এছ. স্বামীনাথন হ'ল এই চুক্তি সম্পাদনৰ গুৰি ধৰোতা। এই সন্ধিতে পঞ্জীয়নকৃত জাতৰ খেতি কৰা আৰু খাদ্য সুৰক্ষাৰ মৌলিক অধিকাৰ আন্তঃৰাষ্ট্ৰীয় ভাৱে স্বীকৃত হ'ল। ভাৰতৰ বৌদ্ধিক সম্পত্তি সম্পৰ্কীয় এই গুৰুত্বপূৰ্ণ আইনখনতো কৃষকৰ অধিকাৰ যথোপযুক্তভাৱে সুৰক্ষিত কৰা হৈছে।

এই আইনত স্বীকৃত কৃষকৰ অধিকাৰে প্ৰধানকৈ বুজায় যে পঞ্জীয়নকৃত উদ্ভিদজাতৰ খেতি কৃষকে পৰম্পৰাগতভাৱে কৰি অহাৰ দৰে কৰি থাকিব পাৰিব। খেতি কৰাই নহয় কৃষকে সেই জাতৰ সঁচ নিজাকৈ ৰাখিব পাৰিব, উৎপাদিত ফচল বেচা-কিনা কৰিব পাৰিব। মাত্ৰ কৃষকে প্ৰজননবিদৰ অনুমতি অবিহনে সেই জাতৰ বীজৰ পেকেট বা বেগত ছাপ মাৰি ব্যৱসায় কৰিব নোৱাৰিব। ইয়াৰ উপৰিও আৰু কেইটামান সুবিধাও কৃষকক এই আইনত অধিকাৰ হিচাপে প্ৰদান কৰা হৈছে।



এই আইনত প্ৰদান কৰা তৃতীয়বিধ অধিকাৰ হৈছে সম্প্ৰদায় ভিত্তিত সমূহীয়া অধিকাৰ। এই অধিকাৰৰ কথা বুজিবলৈ হ'লে আমি খেতি কৰা বা ব্যৱহাৰ কৰি অহা বিভিন্ন বিধ শস্যৰ কৃষি বিৱৰ্তনত সমূহীয়াভাৱে কৃষক ৰাইজৰ অতীজৰ পৰা দি অহা অৱদানৰ কথা সোঁৱৰিব লাগিব। বিভিন্ন প্ৰজাতিৰ উদ্ভিদৰ বনৰীয়া অৱস্থাৰ পৰা খেতি আৰম্ভ কৰিছিল কৃষকসকলে আৰু বিভিন্ন ধৰণৰ থলুৱা জাতৰ জন্ম হৈছিল কৃষকৰ হাততেই। কেৱল সেয়েই নহয় কৃষকসকলেই এককভাৱে সকলো প্ৰজাতিৰ শস্যৰ জাত আৰু শস্যৰ সম্বন্ধীয় বনৰীয়া উদ্ভিদ বিলাকৰ সংৰক্ষণ কৰি কৃষি জৈৱ বিচিত্ৰতাৰ ভেঁটি ৰচনা কৰিছে। গতিকে কৃষক সমুদায়ৰ এই যুটীয়া তথা একক অৰিহণাৰ বাবে উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইনত সমূহীয়া অধিকাৰ মানি লোৱা হৈছে। যদি কোনো প্ৰজননবিদে কৃষক সম্প্ৰদায়ৰ দ্বাৰা সংৰক্ষিত কোনো উদ্ভিদৰ সঁচ নতুন জাত উদ্ভাৱন কৰাত ব্যৱহাৰ কৰে তেন্তে সেই নতুন জাত পঞ্জীয়ন কৰি পোৱা লাভৰ একাংশ সেই কৃষক সম্প্ৰদায়ৰ বাবে আগবঢ়াব লাগিব। কৃষক সম্প্ৰদায়ে এই লাভাংশ অধিকাৰৰূপে দাবী কৰিব পাৰিব।

আইন প্ৰদত্ত চতুৰ্থ বিধ অধিকাৰ হ'ল গৱেষকৰ অধিকাৰ। যদি কোনো লোকে পঞ্জীয়নকৃত জাতৰ সঁচ জাত উদ্ভাৱন বা অন্য গৱেষণাৰ বাবে ব্যৱহাৰ কৰিব খোজে তেন্তে তাৰ বাবে সেই জাত উদ্ভাৱনকাৰী প্ৰজননবিদৰ অনুমতি লোৱাৰ প্ৰয়োজন নাই। এই আইনত সেয়া গৱেষকৰ অধিকাৰ ৰূপে প্ৰদান কৰা হৈছে।

৮। **অপ্ৰকাশিত তথ্য বা বাণিজ্য ৰহস্য ঃ** কিছুমান বৌদ্ধিক সম্পত্তি বা প্ৰযুক্তি ব্যৱসায়িক প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ কোনো ব্যক্তি বা প্ৰতিষ্ঠানে অপ্ৰকাশিত ভাৱে বাণিজ্য ৰহস্য কৰি ৰাখে। বৌদ্ধিক সম্পত্তি সুৰক্ষাৰ সেয়াও এক পন্থা। ওপৰত বৰ্ণনা কৰা সকলো প্ৰকাৰৰ বৌদ্ধিক

সম্পত্তিয়েই আনুষ্ঠানিক বা পঞ্জীয়ন কৰোতে বৰ্ণনা কৰি দৰ্খাস্তকাৰীয়ে প্ৰকাশ কৰিব লাগে। পেটেণ্ট, উদ্ভিদজাত সুৰক্ষা আদি সকলো পঞ্জীয়ন হোৱাৰ আগত বা পাছত সংশ্লিষ্ট কাৰ্যালয়ে প্ৰকাশ কৰা আলোচনীত প্ৰকাশ কৰা হয়। ব্যৱসায়িক সাফল্যৰ বাবে প্ৰয়োজনীয় কিছুমান প্ৰযুক্তিগততথ্য উদ্ভাৱনকাৰীয়ে ইচ্ছা কৰিলে পঞ্জীয়নলৈ নগৈ অপ্ৰকাশিত তথ্য বা বাণিজ্য ৰহস্যৰূপে গুপুতে ৰাখি থ'ব পাৰে। কোকাকোলা নামৰ শীতল পানীয়বিধৰ প্ৰস্তুতিৰ ফৰ্মূলাটো কোকাকোলা কোম্পানীয়ে আজিও গুপুতে ৰাখিছে। অথচ কোকাকোলা এশ বছৰতকৈও অধিক পুৰণি। তেনেকৈ বৰ্ণসংকৰ জাত উদ্ভাৱন কৰোতে কোন কোন জাতৰ সংযোজন ঘটাই উদ্ভাৱন কৰিছে সেই তথ্যও প্ৰজননবিদে ৰহস্যজনকভাৱে গুপুতে ৰাখিব পাৰে যাতে আন কোনোৱেই সেই বৰ্ণসংকৰৰ বীজ উৎপাদন কৰিব নোৱাৰে।

বাণিজ্য ৰহস্যৰ সুৰক্ষাৰ বাবে ভাৰতত বেলেগে আইন নাই। যদি কোনোবাই অন্যায়ভাৱে বাণিজ্য ৰহস্য চুৰি কৰি ব্যৱহাৰ কৰে তেনে, ন্যায় তথা ক্ষতিপূৰণ পাবৰ বাবে দেশৰ প্ৰচলিত সাধাৰণ দেৱানী আইনৰ সহায়ত সুৰক্ষা ল'ব পাৰি।

বৌদ্ধিক সম্পত্তি অধিকাৰ সম্পৰ্কীয় সাধাৰণ তথ্য ১ নং তালিকাত সন্নিৱিষ্ট কৰা হৈছে।



**তালিকা নং ১ ঃ ভাৰতত বৰ্তমান বলৱৎ হৈ থকা বৌদ্ধিক সম্পত্তি অধিকাৰ সুৰক্ষা আইনসমূহ**

| বৌদ্ধিক সম্পত্তি | বিষয় | আইনৰ নাম | বলৱৎকাৰী চৰকাৰী বিভাগ | পঞ্জীয়ন কাৰ্যালয় থকা নগৰৰ নাম | ৱেবছাইটৰ ঠিকনা |
|---|---|---|---|---|---|
| প্ৰতিলিপিস্বত্ব | সাহিত্য, শিল্প, সংগীত, নাটক, ৰেডিঅ', দূৰদৰ্শন সম্প্ৰচাৰ, কম্পিউটাৰ চফটৱেৰ | প্ৰতিলিপিস্বত্ব আইন, ১৯৫৭ (সং ১৯৮৩, ১৯৮৪, ১৯৯২, ১৯৯৪, ১৯৯৯) | উচ্চ শিক্ষা বিভাগ, মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয় | নতুন দিল্লী | http:// copyright. gov.in |
| বাণিজ্যচিহ্ন | সামগ্ৰী বা সেৱাৰ চিহ্ন | বাণিজ্যচিহ্ন আইন, ১৯৯৯ | ঔদ্যোগিক নীতি আৰু উত্তৰণ বিভাগ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰণালয় | মুম্বাই (মুখ্য কাৰ্যালয়), নতুন দিল্লী, কলকতা,চেন্নাই, আহমদাবাদ | htt:p// ipindia.nic.in/ tmr_new |
| ভৌগোলিক সূচনা | পৰম্পৰাগত সামগ্ৰীৰ সূচনা | সামগ্ৰীৰ ভৌগোলিক সূচনা (পঞ্জীয়ন আৰু সুৰক্ষা) আইন, ১৯৯৯ | ঐ | চেন্নাই | http:// ipindia.nic.in/ girindia |

| | | | | | |
|---|---|---|---|---|---|
| অভিকল্পনা বা ঔদ্যোগিক আৰ্হি | সামগ্ৰীৰ সৃষ্টি নন্দন | ঔদ্যোগিক আৰ্হি আইন, ২০০০ | ঐ | কলকতা (মুখ্য কাৰ্যালয়), নতুন দিল্লী, মুম্বাই, চেন্নাই | www. ipindia.nic.in |
| পেটেণ্ট | বৈজ্ঞানিক আৱিস্কাৰ | পেটেণ্ট আইন, ১৯৭০ (সং ১৯৯৯, ২০০২, ২০০৫) | ঐ | ঐ | www. ipindia.nic.in |
| উদ্ভিদ প্ৰজননবিদৰ অধিকাৰ | উদ্ভিদজাতৰ সুৰক্ষা | উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইন, ২০০১ | কৃষি আৰু সমবায় বিভাগ, কৃষি মন্ত্ৰণালয় | নতুন দিল্লী (মুখ্য কাৰ্যালয়) শাখা — গুৱাহাটী, ৰাঁচী | www. plantauthority. gov.in |
| সমন্বিত বৰ্তনীৰ নক্সা | ইলেক্ট্ৰনিক সামগ্ৰীৰ সমন্বিত বৰ্তনী | অৰ্ধপৰিবাহী সমন্বিত বৰ্তনীৰ নক্সা আইন, ২০০০ | তথ্য প্ৰযুক্তি বিভাগ, সংযোগ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰণালয় | নতুন দিল্লী | http:// sicIder.gov.in |



# উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইন ২০০১ৰ অধ্যায়বোৰ

উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইন ২০০১ আইনখনত এঘাৰটা অধ্যায় আৰু ৯৭টা ধাৰা আছে। অধ্যায়সমূহ এনেধৰণৰ—

১। আৰম্ভণি, চমু শিৰোনাম আৰু সংজ্ঞা (ধাৰা ১-২)

২। উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা প্ৰাধিকৰণ আৰু পঞ্জীয়নালয় (ধাৰা ৩-১৩)

৩। উদ্ভিদজাত আৰু অনিবাৰ্যভাৱে ব্যুৎপন্ন জাতৰ পঞ্জীয়ন (ধাৰা ১৪-২৩)

৪। পঞ্জীয়নৰ ম্যাদ, ফলশ্ৰুতি আৰু লাভাংশ বিতৰণ (ধাৰা ২৪-৩২)

৫। পঞ্জীয়ন প্ৰমাণপত্ৰ ত্যাগ আৰু বাতিলকৰণ আৰু পঞ্জীয়ন বহীৰ শুধৰণি (ধাৰা ৩৩-৩৮)

৬। কৃষকৰ অধিকাৰ (ধাৰা ৩৯-৪৬)

৭। বাধতামূলক অনুজ্ঞাপত্ৰ (ধাৰা ৪৭-৫৩)

৮। উদ্ভিদজাত সুৰক্ষা আপিল ন্যায়াধিকৰণ (ধাৰা ৫৪-৫৯)

৯। বিত্ত, গণনা আৰু হিচাপ পৰীক্ষা (ধাৰা ৬০-৬৩)

১০। আইন লংঘন, অপৰাধ, দণ্ড আৰু কাৰ্যপ্ৰণালী (ধাৰা ৬৪-৭৭)

১১। অন্যান্য (ধাৰা ৭৮-৯৭)

আইনখন প্ৰণয়ন হয় অক্টোবৰ ২০০১ত।
উদ্ভিজ জাত আৰু কৃষক অধিকাৰ সুৰক্ষা নিয়মাৱলী ২০০3 ৰ
অধিসূচনা জাৰি হয় ত ২০০3।
উদ্ভিজ জাত আৰু কৃষক অধিকাৰ সুৰক্ষা বিধি ২০০৬ ৰ অধিসূচনা
জাৰি হয় ২০০৬ ৰ ডিচেম্বৰত।
২০০5 চনৰ নবেম্বৰত উদ্ভিজ জাত আৰু কৃষক অধিকাৰ সুৰক্ষা
প্ৰাধিকৰণ স্থাপিত হয়।
২০০৭ চনৰ মে' মাহৰ পৰা উদ্ভিদজাতৰ পঞ্জীয়ন আৰম্ভ হয়।

## আইনখনৰ উদ্দেশ্য

উদ্ভিদজাত, কৃষক আৰু উদ্ভিদ প্ৰজননবিদ অধিকাৰ সুৰক্ষাৰ বাবে আৰু নতুন জাত উদ্ভাৱনৰ উদগনি যোগাবৰ বাবে এই আইন প্ৰণয়ন কৰা হৈছে। কৃষকসকলে অতীত বৰ্তমান সকলো সময়ত উদ্ভিদ আনুবংশিক সম্পদৰ সংৰক্ষণ, উন্নয়ন আৰু নতুন জাত উদ্ভাৱনৰ বাবে দি অহা অৱদানৰ বাবে কৃষকৰ অধিকাৰ সুৰক্ষিত কৰাটো আৱশ্যকীয় বুলি গণ্য কৰা হৈছে। তদুপৰি কৃষি উন্নয়ন ত্বৰান্বিত কৰিবৰ বাবে উদ্ভিদ প্ৰজননবিদৰ অধিকাৰ সুৰক্ষিত কৰাটো অতি প্ৰয়োজনীয় বুলি বিবেচনা কৰা হৈছে; কিয়নো তেতিয়াহে নতুন উদ্ভিদ জাত উদ্ভাৱনৰ উদ্দেশ্যে গৱেষণা আৰু বিকাশৰ বাবে ধন বিনিয়োগত উৎসাহিত কৰা হ'ব।

এনে সুৰক্ষাই বীজ উদ্যোগটোৰ বিকাশ সূচল কৰি তুলিব যাৰ বাবে কৃষকলৈ উচ্চ মানৰ বীজ আৰু ৰোপণ সামগ্ৰীৰ যোগান নিশ্চিত হ'ব। ভাৰতবৰ্ষই বাণিজ্য সম্পৰ্কীয় বৌদ্ধিক সম্পত্তি অধিকাৰ চুক্তি (ট্ৰিপচ্) গ্ৰহণ কৰি চহী কৰিছে। গতিকে চুক্তিত থকা উদ্ভিদজাত সুৰক্ষা সম্পৰ্কে চৰ্তটো কাৰ্যত পৰিণত কৰিবলৈ উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইন, ২০০১ প্ৰণয়ন কৰা হৈছে।

**সংজ্ঞা (১ম) অধ্যায়**

কেইটিমান আৱশ্যকীয় সংজ্ঞা ইয়াত দিয়া হ'ল।

**প্ৰাধিকৰণ**-- উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা প্ৰাধিকৰণ।

**লাভাংশৰ ভাগ লোৱা**-মানে কোনো এক জাত সম্পৰ্কত প্ৰজননবিদে পাব লগা লাভৰ অংশ নাইবা প্ৰজননবিদে তেনে জাতৰ এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰীৰ পৰা পাব লগা লাভৰ অংশ।

**প্ৰজননবিদ** -- কোনো এক ব্যক্তি বা ব্যক্তি সমষ্টি, অথবা কোনো প্ৰতিষ্ঠান যি এক জাতৰ উদ্ভাৱন কৰিছে।

**নামাংকন** --কোনো এক জাত বা তাৰ বীজ সম্পৰ্কত নামাংকন মানে যিকোনো ভাষাত লিখা আখৰ বা আখৰ আৰু সংখ্যাৰে প্ৰকাশিত সেই জাত বা তাৰ বীজৰ নাম।

**অপৰিহাৰ্য চৰিত্ৰ** -- মানে উদ্ভিদ জাতৰ আনুবংশিক চৰিত্ৰ।

**অপৰিহাৰ্যভাৱে বুৎপন্ন জাত**-- অপৰিহাৰ্যভাৱে প্ৰাৰম্ভিক জাতৰ পৰা

উদ্ভূত জাত যেতিয়া—

(১)সেই জাতটোৱে প্ৰাৰম্ভিক জাতৰ অপৰিহাৰ্য চৰিত্ৰৰ প্ৰায় সমূদায় আহৰণ কৰে, (২) সেই জাত প্ৰাৰম্ভিক জাতৰ পৰা স্পষ্টকৈ বেলেগ বুলি ধৰিব পাৰি, আৰু (৩) সেই জাতটোৰ বুৎপন্ন চৰিত্ৰৰ বাদে বাকী চৰিত্ৰবোৰ প্ৰাৰম্ভিক জাতৰ লগত মিলি যায়।

**বিদ্যমান জাত –** মানে নতুন জাত নহয়, যিটো জাত ( ১) বীজ আইন ১৯৬৬ ৫ নং ধাৰাৰ অধীনত জাননীকৃত জাত; অথবা (২) কৃষকৰ জাত অথবা; অথবা (৩) সাধাৰণভাৱে জ্ঞাত কোনো জাত; অথবা (৪) ৰাজহুৱাভাৱে ব্যৱহৃত কেনো জাত।

**কৃষক**-- মানে কোনো ব্যক্তি যি (১) নিজে মাটি চহাই শস্যৰ খেতি কৰে; অথবা (২) অন্য ব্যক্তিৰ দ্বাৰা মাটি চহাই প্ৰত্যক্ষভাৱে খেতি কৰে; অথবা (৩) কেইবাজনো মিলি যুটীয়াকৈ কোনো বনৰীয়া প্ৰজাতি বা পৰম্পৰাগত জাতৰ সংৰক্ষণ কৰে, অথবা তেনে বনৰীয়া প্ৰজাতি বা পৰম্পৰাগত জাতৰ কামত অহা চৰিত্ৰৰ চিনাক্ত আৰু বাচনি কৰি মূল্য সংযোজন কৰে।

**কৃষকৰ জাত** -- মানে এনে জাত যিটো (১) কৃষকসকলে তেওঁলোকৰ পথাৰত ক্ৰমবিকাশ কৰি পৰম্পৰাগতভাৱে খেতি কৰি আহিছে; অথবা (২) কোনো জাতৰ বনৰীয়া সম্বন্ধীয় উদ্ভিদ বা ভূমি জাত যাৰ সম্পৰ্কে কৃষকসকলৰ সাধাৰণ জ্ঞান আছে।

**বীজ**-- মানে জীৱিত ভ্ৰূণ বা গজিব পৰা ৰোপন সামগ্ৰী যাৰ পৰা কোনো জাতৰ সঠিক চৰিত্ৰযুক্ত গছ গজিব পাৰে।



**জাত** -- মানে অনুজীৱ বাদ দি উদ্ভিদৰ নিম্নতম শ্ৰেণীবিভাগ বা উদ্ভিদ সমষ্টি (১) যি উদ্ভিদ সমষ্টিৰ অনুবংশৰ পৰা প্ৰকাশিত বিশিষ্ট চৰিত্ৰ আছে; (২) যাক অন্য জাতৰ পৰা অন্ততঃ এটা অপৰিহাৰ্য চৰিত্ৰৰ বাবে পৃথকে চিনিব পাৰি; (৩) প্ৰাকৃতিক প্ৰজননৰ দ্বাৰা বংশবৃদ্ধিৰ বাবে একক হিচাবে গণ্য কৰা হয়, যিটোৰ দ্বাৰা সেই চৰিত্ৰবোৰ অপৰিবৰ্তিত হৈ থাকে। জাতৰ সংজ্ঞাই সেই জাতৰ বীজ আৰু অন্য ৰোপণ সামগ্ৰীকো সামৰি লয়।

## উদ্ভিদ জাত আৰু কৃষক অধিকাৰ সুৰক্ষা প্ৰাধিকৰণ আৰু পঞ্জীয়নালয় (২য় অধ্যায়)

উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইনখন কাৰ্যত পৰিণত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে এই আইনৰ ২নং অধ্যায়ৰ ৩ নং ধাৰাৰ মতে উদ্ভিদজাত আৰু কৃষক অধিকাৰ সুৰক্ষা প্ৰাধিকৰণ গঠন কৰে। ২০০৫ চনৰ ১১নৱেম্বৰত গঠিত এই প্ৰাধিকৰণ এক স্বাধীনচিতীয়া অনুষ্ঠান। কৃষি আৰু উদ্ভিদজাত সম্পৰ্কে বিশেষভাৱে ব্যুৎপত্তি থকা এজন বিশিষ্ট ব্যক্তিক এই প্ৰাধিকৰণৰ অধ্যক্ষ তথা মুখ্য প্ৰশাসক হিচাবে নিযুক্ত কৰা হয়। কৃষি উন্নয়নৰ লগত জড়িত উচ্চ পদস্থ চৰকাৰী বিষয়া, ৰাজ্য চৰকাৰৰ প্ৰতিনিধি, কৃষকৰ প্ৰতিনিধি, মহিলা প্ৰতিনিধি আদিৰে ১৫ জন ব্যক্তি এই প্ৰাধিকৰণৰ সদস্য। পঞ্জীয়ক প্ৰধান এই প্ৰাধিকৰণৰ পদেন সচিব।

**প্ৰাধিকৰণৰ কাৰ্যাৱলী ঃ**

(১) নতুন জাত, অপৰিহাৰ্যভাৱে ব্যুৎপন্ন জাত আৰু বিদ্যমান জাতৰ পঞ্জীয়ন কৰা। (২) নতুন উদ্ভিদ প্ৰজাতিৰ বাবে বিশিষ্টতা, একৰূপতা আৰু স্থিৰতা পৰীক্ষণৰ নিৰ্দেশাৱলীৰ বিকাশ কৰা। (৩) পঞ্জীয়নকৃত জাতৰ গুণসমূহৰ বৰ্ণনা আৰু নথীভুক্ত কৰা। (৪) সকলো উদ্ভিদৰ জাতৰ বাবে অপৰিহাৰ্য সূচীপত্ৰীকৰণৰ সুবিধা কৰা। (৫) কৃষকৰ জাতৰ প্ৰলেখন আৰু সূচীপত্ৰীকৰণ। যিসকল কৃষক কৃষি জৈৱ বৈচিত্ৰ্যৰ কেন্দ্ৰ স্থলসমূহত অৰ্থনৈতিকভাৱে গুৰুত্বপূৰ্ণ উদ্ভিদ আৰু সিবিলাকৰ বনৰীয়া সমন্ধীয়ৰ আনুবংশিক সংৰক্ষণ, উন্নয়ন আৰু পৰীক্ষণৰ কামত জড়িত, সেইসকল কৃষক, বিশেষকৈ জনজাতীয় আৰু গ্ৰামীণ কৃষক সম্প্ৰদায়ক স্বীকৃতি প্ৰদান আৰু পুৰস্কৃত কৰা। (৬) উদ্ভিদ জাতসমূহৰ ৰাষ্ট্ৰীয় পঞ্জীয়ন বহীৰ যত্ন লোৱা। (৭) ৰাষ্ট্ৰীয় জিন বেংকৰ যত্ন লোৱা।

## উদ্ভিদজাত আৰু অপৰিহাৰ্যভাৱে ব্যুৎপন্ন জাতৰ পঞ্জীয়ন (৩ য় অধ্যায়)

এই আইনৰ আঁওতাত সুৰক্ষা ল’বৰ বাবে জাত পঞ্জীয়ন কৰা বাধ্যতামূলক। নতুন জাত, বিদ্যমান জাত, আৰু অপৰিহাৰ্য ভাৱে ব্যুৎপন্ন জাতৰ পঞ্জীয়ন প্ৰণালী এই অধ্যায়ত দিয়া হৈছে। পঞ্জীয়নৰ বাবে নিম্নোক্ত চৰ্তকেইটা পূৰণ কৰিব লাগিব।

১। **নতুনত্ব** —যিটো জাত বাণিজ্যিকভাৱে খেতি, পঞ্জীয়নৰ বাবে দৰ্খাস্ত কৰা তাৰিখৰ পৰা ভাৰতত এবছৰতকৈ আগতে, নাইবা ভাৰতৰ বাহিৰত বৃক্ষ বা লতা শস্যৰ জাতৰ বাবে ৬ বছৰ আৰু অন্য শস্যৰ জাতৰ ক্ষেত্ৰত ৪ বছৰতকৈ আগতে খেতি কৰা হোৱা নাই সেই জাতকে



নতুন জাত হিচাবে গণ্য কৰা হ’ব।
কৃষকৰ জাতকে ধৰি অন্য বিদ্যমান জাতৰ ক্ষেত্ৰত নতুনত্বৰ চৰ্ত নাখাটে।

২। **বিশিষ্টতা** ঃ পঞ্জীয়ন কৰিব লগা জাতটোৰ অন্ততঃ এটা অপৰিহাৰ্য চৰিত্ৰ থাকিব লাগিব যিটোৰ কাৰণে সেই জাতটো ভাৰতত থকা আৰু সাধাৰণভাৱে জ্ঞাত অন্য জাতৰপৰা পৃথক বুলি গণ্য কৰিব পাৰি।

৩। **সদৃশতা** ঃ পঞ্জীয়ন হ’ব লগা জাতৰ গছবিলাকৰ অপৰিহাৰ্য চৰিত্ৰ যথেষ্ট পৰিমাণে একৰূপী হ’ব লাগিব। অৱশ্যে উদ্ভিদৰ প্ৰজনন প্ৰণালীভেদে হেৰফেৰ হ’ব পাৰে।

৪। **স্থিৰতা** ঃ খেতি বা বীজ উৎপাদন চক্ৰত অপৰিহাৰ্য চৰিত্ৰবোৰ অপৰিবৰ্তিত হৈ থাকিব লাগিব।

৫। **নামাংকন** ঃ নতুন জাত পঞ্জীয়নৰ বাবে জাতটোৰ যথোপযুক্তভাৱে নামাংকন কৰিব লাগিব যাতে সেই জাত অন্য জাতৰ পৰা পৃথক বুলি ধৰিব পৰা যায়।

## জাত পঞ্জীয়নৰ বাবে কোনে আৱেদন কৰিব পাৰে?

(এইসকল ব্যক্তি বা প্ৰতিষ্ঠানে আবেদন কৰিব পাৰে)

১। কোনো ব্যক্তি যি সেই জাতৰ উদ্ভাৱনকাৰী প্ৰজননবিদ বুলি দাবী কৰে; অথবা

২। প্ৰজননবিদৰ উত্তৰাধিকাৰী; অথবা

৩। এনে ব্যক্তি যাৰ পক্ষলৈ প্ৰজননবিদৰ অধিকাৰ স্থানান্তৰিত কৰা হৈছে; অথবা

৪। কোনো কৃষক বা কৃষক গোট বা কৃষক সম্প্ৰদায় যি সেই জাতৰ প্ৰজননবিদ বুলি দাবী কৰে; অথবা

৫। এনে কোনো ব্যক্তি যাক নির্দিষ্ট ধৰণে ওপৰৰ ১ ৰ পৰা ৪নং ব্যক্তিয়ে তেওঁৰ/তেওঁলোকৰ হৈ আবেদন কৰিবলৈ কর্তৃত্ব প্রদান কৰে; অথবা

৬। কোনো বিশ্ববিদ্যালয়ৰ বা ৰাজহুৱা খণ্ডৰ কৃষি প্রতিষ্ঠান যি সেই জাতৰ প্ৰজননবিদ বুলি দাবী কৰে।

## জাতৰ বিশিষ্টতা সদৃশতা আৰু স্থিৰতাৰ পৰীক্ষা

বিশিষ্টতা, সদৃশতা আৰু স্থিৰতাৰ পৰীক্ষা কৰিবৰ বাবে বিশুদ্ধ প্ৰজনক বীজৰ নমুনা জমা দিব লাগে। ভাৰতৰ বিভিন্ন কৃষি বিশ্ববিদ্যালয় আৰু ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্রতিষ্ঠানত শস্যভেদে এই পৰীক্ষা কেন্দ্ৰ স্থাপন কৰা হৈছে।

## প্ৰজননবিদৰ অধিকাৰ পঞ্জীয়নৰ ম্যাদ, ফলশ্ৰুতি আৰু লাভাংশ বিতৰণ প্ৰজননবিদৰ অধিকাৰ (৪ৰ্থ অধ্যায়)

জাত পঞ্জীয়নৰ সকলো নিয়ম আৰু চৰ্ত পূৰণ কৰাৰ পিছত পঞ্জীয়কে আবেদন গ্ৰহণ কৰে আৰু প্ৰজননবিদক পঞ্জীয়নৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। পঞ্জীয়ন প্ৰমাণপত্ৰই প্ৰজননবিদক বা তেওঁৰ উত্তৰাধিকাৰীক, বা তেওঁৰ এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰীক পঞ্জীয়নকৃত জাতৰ উৎপাদন, বিক্ৰী, বিপনন, বিতৰণ, আমদানি বা ৰপ্তানি কৰাৰ একচেটিয়া অধিকাৰ প্ৰদান কৰে। ইয়াকে প্ৰজননবিদৰ অধিকাৰ বুলি কোৱা হয়। প্ৰজননবিদ বা তেওঁৰ কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিৰ অনুমতি অবিহনে সেই জাতৰ উৎপাদন, বিক্ৰী, বিপনন, আমদানি বা ৰপ্তানি কৰিব নোৱাৰে।



প্ৰজননবিদৰ অধিকাৰ পঞ্জীয়নৰ তাৰিখৰ পৰা বৃক্ষ বা লতাজাতীয় শস্যৰ বাবে ১৮ বছৰ আৰু অন্যান্য শস্যৰ ববে ১৫ বছৰ ভোগ কৰিব পাৰে। অৱশ্যে প্ৰথমে পঞ্জীয়ন পত্ৰ প্ৰদানৰ তাৰিখৰ পৰা বৃক্ষ বা লতা শস্যৰ জাতৰ বাবে ৯ বছৰ আৰু অন্যান্য শস্যৰ জাতৰ বাবে ৬ বছৰৰ বাবে অধিকাৰ প্ৰদান কৰে। তাৰ পিছত পুনৰ নবীকৰণ কৰিব লাগে।

**লাভাংশ বিতৰণ** ঃ পঞ্জীয়ন পত্ৰ প্ৰদান কৰাৰ পিছত প্ৰাধিকৰণে প্ৰমাণ পত্ৰৰ সবিশেষ 'উদ্ভিদজাত পত্ৰিকা'ত প্ৰকাশ কৰে আৰু লাভাংশ দাবীৰ আবেদন আমন্ত্ৰণ কৰে। লাভাংশ কেৱল ভাৰতীয় নাগৰিক অথবা ভাৰতীয় অনুষ্ঠানেহে দাবী কৰিব পাৰে। লাভাংশৰ দাবীপত্ৰৰ প্ৰতিলিপি প্ৰজননবিদলৈ দিয়া হয় যাতে আপত্তি থাকিলে তেওঁ দাখিল কৰিব পাৰে। দুয়োপক্ষৰ শুনানি লোৱাৰ পিছত প্ৰাধিকৰণে লাভাংশ বিতৰণৰ সিদ্ধান্ত লয়। পঞ্জীয়নকৃত জাতটো উদ্ভাৱন কৰোতে যদি প্ৰজননবিদে দাবীকৰ্তা ব্যক্তিৰ অনুবংশিক সঁচ ব্যৱহাৰ কৰিছিল, তেন্তে পঞ্জীয়নৰ পৰা অহা লাভৰ এটা অংশ দাবীকৰ্তাই নিয়মমতে লাভ কৰিব লাগে। লাভাংশৰ পৰিমাণ অৱশ্যে নিৰ্ভৰ কৰিব —

(ক) দাবীকৰ্তাৰ আনুবংশিক সঁচ পঞ্জীয়নকৃত জাতটো উদ্ভাৱনত কিমান পৰিমাণে আৰু কেনেধৰণে ব্যৱহাৰ কৰা হৈছিল; আৰু খ) জাতটোৰ বাণিজ্যিক ব্যৱহাৰ আৰু চাহিদা কিমান তাৰ ওপৰত।

মানুহ, জীৱ-জন্তু, পৰিৱেশ, সমাজত কু-প্ৰভাৱ পৰিব পৰা উদ্ভিদজাতৰ পঞ্জীয়ন কৰা নহয়। শস্যৰ পৰৱৰ্তী কৃষি কাৰ্যত বাধা পৰিব পৰা প্ৰযুক্তিযুক্ত জাতৰো পঞ্জীয়ন কৰা নহয়।

## গৱেষকৰ অধিকাৰ (৩০ নং ধাৰা)

পঞ্জীয়নকৃত জাত গৱেষকে গৱেষণাৰ কামত মুক্তভাৱে ব্যৱহাৰ

কৰিব পাৰিব। তাৰ বাবে প্ৰজননবিদৰ অনুমতি লোৱাৰ প্ৰয়োজন নাই। এনে জাত অন্য জাত উদ্ভাৱনৰ বাবে কৰা প্ৰজননত প্ৰাৰম্ভিক জাত হিচাবে ব্যৱহাৰ কৰিব পাৰি। কিন্তু পৌনঃপৌনিক ভাৱে ব্যৱহাৰ কৰিলে পঞ্জীয়নকৃত জাতৰ প্ৰজনবিদৰ অনুমতিৰ প্ৰয়োজন।

**পঞ্জীয়ন ত্যাগ, বাতিল আৰু শুধৰণি (৫ ম অধ্যায়)**

এই অধ্যায়ৰ ৩৩-৩৮ নং ধাৰাত প্ৰজননবিদে ত্যাগ কৰিব বা পঞ্জীয়কে বাতিল কৰিব আৰু কেনেধৰণৰ শুধৰণি কৰিব পাৰি তাৰ দিহা দিয়া হৈছে।

**কৃষকৰ অধিকাৰ**
(৬ষ্ঠ **অধ্যায়**)

এই আইনত কৃষকক খেতিয়ক, প্ৰজননবিদ আৰু উদ্ভিদ সঁচৰ সংৰক্ষক হিচপে গণ্য কৰি সেই ধৰণে অধিকাৰ প্ৰদান কৰা হৈছে। কৃষক অধিকাৰৰ ধাৰণাটো ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাই আন্তঃৰ্জাতিক পৰ্যায়ত আনুষ্ঠানিকভাৱে নথিভুক্ত কৰিছে আৰু 'খাদ্য আৰু কৃষিৰ বাবে উদ্ভিদৰ আনুবংশিক সম্পদৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় চুক্তি' (২০০১) অৰ্ন্তভুক্ত হৈছে। এই চুক্তি ২০০৪ চনৰ ২৯ জুনৰ পৰা কাৰ্যকৰী কৰা হৈছে।

এই আইনৰ ৩৯ নং ধাৰাত উল্লেখ কৰা কৃষকৰ অধিকাৰসমূহ হ'ল—

১। কোনো কৃষকে নতুন জাত উদ্ভাৱন কৰিলে তেনে জাত পঞ্জীয়ন কৰাৰ অধিকাৰ আৰু তেনে কৃষকে প্ৰজননবিদ অধিকাৰ ভোগ কৰিব।



২। কৃষকসকলৰ জাত পঞ্জীয়ন কৰাৰ অধিকাৰ।

৩। যিজন কৃষক ভূমি-জাত বা বন্য সম্বন্ধীয় আনুবংশিক সম্পদৰ সংৰক্ষণ আৰু উৎকৰ্ষ সাধনত ব্ৰতী হৈ আছে, তেনে কৃষকৰ স্বীকৃতি আৰু ৰাষ্ট্ৰীয় জিন পুঁজিৰ পৰা পুৰস্কাৰ প্ৰাপ্তিৰ অধিকাৰ, যদিহে তেনে আনুবংশিক সঁচ পঞ্জীয়নযোগ্য জাত উদ্ভাৱন কৰাত ব্যৱহৃত হৈছে।

৪। পঞ্জীয়নকৃত জাতৰ সঁচ ৰখা, বীজ ৰোপণ কৰা, বিনিময় কৰা, ভগাই লোৱা, বা বিক্ৰী কৰা কৃষকৰ অধিকাৰ ৰূপে গণ্য কৰা হৈছে। এই অধিকাৰ কৃষকৰ এক মৌলিক অধিকাৰ। অৱশ্যে পঞ্জীয়নকৃত জাতৰ বীজ উৎপাদন বাণিজ্যিক ভিত্তিত ব্ৰেণ্ডযুক্ত বীজ হিচাবে প্ৰজননবিদৰ বিনা অনুমতিত বিক্ৰী কৰিব নোৱাৰিব।

৫। সমূহীয়া অধিকাৰ ঃ যদি কোনো পঞ্জীয়নকৃত জাত উদ্ভাৱন কৰোতে কোনো কৃষক সম্প্ৰদায়ে সংৰক্ষণ আৰু উৎকৰ্ষ সাধন কৰা উদ্ভিদৰ সঁচ ব্যৱহাৰ কৰিছিল, তেন্তে সেই কৃষক সম্প্ৰদায়ৰ তেনে জাতৰ পঞ্জীয়নৰ পৰা হোৱা লাভৰ এক অংশ দাবী কৰাৰ সমূহীয়া অধিকাৰ থাকিব। তেনে সম্প্ৰদায়ৰ হৈ লাভাংশৰ দাবীৰ আবেদন অন্য কোনো ব্যক্তি বা অনুষ্ঠানেও কৰিব পাৰে।

৬। যদি কোনো কৃষকে অজ্ঞাতভাৱে কোনো প্ৰজননবিদৰ অধিকাৰ খৰ্ব কৰা কাম কৰে তেন্তে তেনে কৃষকক সেই অপৰাধৰ পৰা ৰেহাই পোৱাৰ অধিকাৰ।

৭। কৃষক বা কৃষক সম্প্ৰদায়ক প্ৰাধিকৰণ, পঞ্জীয়ক, ন্যায়াধিকৰণ নাইবা উচ্চ ন্যায়ালয়ত কোনো কাৰ্যক্ৰমণিকাত দিব লগা মাচুলৰ পৰা ৰেহাই পোৱাৰ অধিকাৰ।

৮। পঞ্জীয়নকৃত জাতৰ প্ৰজননবিদে দাবী কৰা উৎপাদন যদি কৃষকে একেধৰণৰ পৰিৱেশত খেতি কৰি লাভ নকৰে, তেন্তে কৃষকে লোকচানৰ ক্ষতিপূৰণ দাবী কৰাৰ অধিকাৰ।

**ৰাষ্ট্ৰীয় জিন পুঁজি (৪৫ নং ধাৰা)**

লাভাংশ বিতৰণৰ ধন, সকলো মাচুল আৰু ৰয়েলটি, দাবী কৰা ধৰণে উৎপাদন নাপালে তাৰ ক্ষতিপূৰণৰ ধন, আৰু কোনো ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানৰ পৰা পোৱা অনুদান এই জিন পুঁজিত জমা হ'ব। সেই পুঁজি লাভাংশ বিতৰণ কৰাত, ক্ষতিপূৰণ শোধ কৰাত আৰু শস্যৰ আনুবংশিক সম্পদসমূহৰ সংৰক্ষণ আৰু উৎকৰ্ষ সাধনৰ কামত ব্যৱহাৰ কৰা হ'ব। কৃষক আৰু কৃষক সম্প্ৰদায়ৰ বাবে উদ্ভিদ জিন সমগ্ৰ ৰক্ষক স্বীকৃতি আৰু পুৰস্কাৰ প্ৰদান কৰাতো ৰাষ্ট্ৰীয় জিন পুঁজিৰ ধন ব্যয় কৰা হয়।

**বাধ্যতামূলক অনুজ্ঞাপত্ৰ**
**(৭ ম অধ্যায়)**

পঞ্জীয়নকৃত উন্নত জাতৰ বীজ কৃষকৰ বাবে প্ৰজননবিদে উচিত দামত সহজলভ্য কৰিবৰ বাবে যত্ন ল'ব লাগে। তাৰ বাবে প্ৰজননবিদে বীজ উৎপাদনৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰি বিভিন্ন পক্ষৰ দ্বাৰা বীজ উৎপাদন কৰিব পাৰে। কিন্তু যদি তেনে অধিক উৎপাদনক্ষম উন্নত জাতৰ বীজ উৎপাদনৰ ব্যৱস্থা প্ৰজননবিদে গ্ৰহণ নকৰে আৰু তাৰ বাবে কৃষকৰ মাজত এক জৰুৰী পৰিস্থিতিৰ সৃষ্টি হয়, তেন্তে প্ৰাধিকৰণে কোনো তৃতীয় পক্ষক এক বাধ্যতামূলক অনুজ্ঞাপত্ৰ প্ৰদান কৰি বীজ উৎপাদন আৰু বিতৰণৰ ব্যৱস্থা ল'ব পাৰে। প্ৰজননবিদে যুক্তিযুক্তভাৱে আপত্তি কৰিলে সেই বাধ্যতামূলক অনুজ্ঞাপত্ৰ বাতিল কৰাৰ ব্যৱস্থাও দিয়া হৈছে।



**উদ্ভিদজাত সুৰক্ষা আপীল ন্যায়াধিকৰণ**
**(৮ ম অধ্যায়)**

কেন্দ্ৰীয় চৰকাৰে ৰাজপত্ৰত জাননীযোগে উদ্ভিদজাত সুৰক্ষা আপিল ন্যায়াধিকৰণ গঠন কৰিব। এই ন্যায়াধিকৰণত অধ্যক্ষৰ উপৰি ন্যায়াধীশ আৰু কাৰিকৰী সদস্য থাকিব। যদি কোনো পক্ষৰ অসন্তুষ্টি হয় তেন্তে এই ন্যায়াধিকৰণত আপীল কৰিব পাৰিব। যেনে— ১। প্ৰাধিকৰণ বা পঞ্জীয়কৰ কোনো সিদ্ধান্তৰ বিৰুদ্ধে আপত্তি; অথবা ২। কোনো জাতৰ এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰীৰ পঞ্জীয়ন সম্পৰ্কে প্ৰজননবিদ সন্তুষ্ট নহয়; বা ৩। লাভাংশ বিতৰণত প্ৰাধিকৰণে লোৱা সিদ্ধান্তত একমত নহয়; বা ৪। বাধ্যতামূলক অনুজ্ঞাপত্ৰ বাতিল কৰা আৰু সংশোধন কৰাৰ সিদ্ধান্তৰ বিৰোধিতা কৰে; বা ৫। যদি পঞ্জীয়নকৃত জাতৰ দাবী কৰা উৎপাদন নাপাই কৃষকে ক্ষতিপূৰণ দাবী কৰে আৰু তেনে দাবীৰ প্ৰজননবিদে বিৰোধিতা কৰে।

এনেবিলাক পৰিস্থিতিত অসন্তুষ্ট পক্ষই আপিল কৰিব পাৰিব।

আইনখনৰ ৯ ম অধ্যায়ত প্ৰাধিকৰণ আৰু পঞ্জীয়নালয়ে ব্যৱহাৰ কৰা বিত্ত, গণনা আৰু হিচাব পৰীক্ষাৰ ব্যৱস্থা দিয়া হৈছে।

**অধিকাৰ খৰ্ব, অপৰাধ আৰু শাস্তি বিধান**
(১০ ম অধ্যায়)

নিম্নোক্ত কৰ্মক আইন ভংগকাৰী অপৰাধ হিচাবে গণ্য কৰা

হ'ব—
(ক) যদি কোনোৰে প্ৰজননবিদৰ বা পঞ্জীয়নকৃত এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰীৰ বিনা অনুমতিত পঞ্জীয়নকৃত জাতৰ বিক্ৰী, আমদানি বা ৰপ্তানি কৰে; ---

(খ) যদি কোনো লোকে এটা পঞ্জীয়নকৃত জাতৰ দৰে অন্য জাতৰ নামাংকন কৰি উৎপাদন, বিক্ৰী, আমদানি বা ৰপ্তানি কৰে তেন্তে সেয়া আইন ভংগকাৰী কৰ্ম বুলি গণ্য কৰা হ'ব। অধিকাৰ খৰ্বকাৰী অপৰাধৰ বিপক্ষে গোচৰ জিলা আদালতত তৰিব লাগিব। তেনে খৰ্ব কৰা কাৰ্যত প্ৰজননবিদৰ ক্ষতিপূৰণৰ বাবে আদালতে ৰায় দিব পাৰে। প্ৰজননবিদৰ অধিকাৰ খৰ্ব দণ্ডনীয় অপৰাধ আৰু তাৰবাবে শাস্তিৰ বিধান এনেধৰণৰঃ

(ক) যদি কোনো পক্ষই কোনো জাতৰ মিছা নামাংকন কৰে তেন্তে তেনে অপৰাধৰ বাবে শাস্তিবিধান কৰা হৈছে—কমেও ৩ মাহৰ আৰু সৰ্বোচ্চ দুবছৰৰ কাৰাবাস বা ৫০,০০০-৫০০,০০০ টকা জৰিমণা অথবা কাৰাবাস আৰু জৰিমণা দুয়োটাই হ'ব পাৰে।

(খ) পঞ্জীয়ন নকৰাকৈ পঞ্জীয়নকৃত জাতৰ মিছা নামাংকন কৰি কোনো জাত যদি বিক্ৰী কৰে তেনে অপৰাধৰ বাবে ৬ মাহৰ পৰা ২ বছৰলৈ কাৰাবাস, বা ৫০,০০০-৫০০,০০০ টকাকৈ জৰিমণা অথবা কাৰাবাস আৰু জৰিমণা দুয়োটাৰে বিধান দিয়া হৈছে।

(গ) পঞ্জীয়ন নকৰাকৈয়ে পঞ্জীয়ন কৰা জাত বুলি মিছাকৈ উপস্থাপন কৰিলে শাস্তি হ'ব ৬ মাহৰ পৰা দুবছৰলৈকে কাৰাবাস, বা ৫০,০০০-৫০০,০০০ টকালৈ জৰিমণা, অথবা দুয়োটাই।



(ঘ) এজন অপৰাধীয়ে যদি পুনৰ আইন ভংগকাৰী কাম কৰে তেন্তে শাস্তি হ'ব এবছৰৰ পৰা তিনি বছৰলৈকে কাৰাবাস, বা ২ ৰ পৰা ২০ লাখ টকালৈকে জৰিমণা, অথবা কাৰাবাস আৰু জৰিমণা দুয়োটাই ।

আইনখনৰ অন্তিম অধ্যায়টোত অন্যান্য সানমিহলি বিষয় সন্নিৱিষ্ট কৰা হৈছে।

# নতুন উদ্ভিদজাত সুৰক্ষাৰ হকে আন্তঃৰাষ্ট্ৰীয় সংঘ

পেটেন্টৰ পৰিৱৰ্তে উদ্ভিদজাত সুৰক্ষাৰ বাবে এক বিকল্প ব্যৱস্থা, অৰ্থাৎ উদ্ভিদ প্ৰজননবিদৰ অধিকাৰৰ ধাৰণা, আৱশ্যকীয় চৰ্ত্তাৱলী (নতুনত্ব, বিশিষ্টতা, সদৃশতা, স্থিৰতা), সুৰক্ষাৰ ম্যাদ আদি চিন্তাধাৰাৰে সুসংগঠিত আৰু বিধিগতভাৱে বিকাশ কৰে এই আন্তঃৰাষ্ট্ৰীয় সংঘই। ছখন ইউৰোপীয় দেশৰ মাজত ১৯৬১ চনত হোৱা অধিৱেশনৰ যোগেদি এইবিধ একক বৌদ্ধিক সম্পত্তি অধিকাৰৰ জন্ম হয়।

এখন আৰ্হিমূলক বিধি প্ৰণয়ন কৰি ১৯৬৮ চনত চাৰিখন ইউৰোপৰ দেশত এই ব্যৱস্থা প্ৰথম ৰূপায়ন হয়। প্ৰথম অধিবেশন পেৰিচ মহানগৰীত বহিছিল। সেয়েহে এই সংঘৰ নাম ফৰাচী ভাষাত সংক্ষিপ্তভাৱে কোৱা হয় ইউপ'ভ (UPOV)। বৰ্তমান এই সংঘৰ সদস্য সংখ্যা ৭২। মন কৰিবলগীয়া যে ভাৰত এই সংঘৰ সদস্য নহয় যদিও ভাৰতৰ উদ্ভিদজাত সুৰক্ষা আইন প্ৰনয়ন কৰোতে এই ধাৰণাসমূহ বহুলভাৱে গ্ৰহণ কৰা হৈছে। বৰ্তমান এই সংঘৰ সদস্য দেশসমূহত ইউপ'ভ ১৯৭৮ অথবা ইউপ'ভ ১৯৯১ বিধি ৰূপায়িত হৈ আছে।



# খাদ্য আৰু কৃষিৰ বাবে উদ্ভিত অনুবংশিক সম্পদ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তিখনে কৃষকৰ অধিকাৰ সম্পৰ্কে কি কৈছে?

ৰাষ্ট্ৰসংঘৰ অধীনত খাদ্য আৰু কৃষি সংস্থাই গ্ৰহণ কৰা এই চুক্তিখনৰ তৃতীয় খণ্ডত কৃষকৰ অধিকাৰ সম্পৰ্কে এক পৃষ্ঠাতকৈও চুটি এটা দফা (৯ নং দফা) আছে। এই দফাত নিম্নোক্ত তিনিটা ধাৰা আছে।

১) চুক্তিবদ্ধ হোৱা দেশসমূহে পৃথিৱীৰ সকলো অঞ্চলৰ থলুৱা কৃষক সম্প্ৰদায়ৰ, বিশেষকৈ শস্যৰ উৎপত্তি আৰু বৈচিত্ৰ্য কেন্দ্ৰ সমূহত অতীজৰ পৰা ভৱিষ্যতৰলৈ উদ্ভিদ অনুবংশিক সম্পদসমূহৰ, যিবিলাকৰ সংৰক্ষণ আৰু বিকাশৰ বাবে আগবঢ়োৱা প্ৰভুত অৰিহণাৰ স্বীকৃতি প্ৰদান কৰিছে।

২) ৰাষ্ট্ৰসমূহে মতপোষণ কৰে যে খাদ্য আৰু কৃষিৰ বাবে উদ্ভিদ অনুবংশিক সম্পদ সমূহৰ প্ৰসংগত কৃষকৰ অধিকাৰ বাস্তৱত ৰূপায়িত কৰাৰ দায়িত্ব ৰাষ্ট্ৰসমূহৰ। ৰাষ্ট্ৰসমূহে আইন প্ৰণয়ন কৰোতে নিম্নোক্ত কৃষক অধিকাৰসমূহ সুৰক্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত।

ক) খাদ্য আৰু কৃষিৰ বাবে উদ্ভিদ অনুবংশিক সম্পদ সম্পৰ্কীয় পৰম্পৰাগত জ্ঞানৰ সুৰক্ষা;

খ) খাদ্য আৰু কষিৰ বাবে উদ্ভিদ অনুবংশিক সম্পদসমূহ ব্যৱহাৰৰ পৰা অহা লাভৰ অংশ সমানুপাতিকভাৱে পোৱাৰ অধিকাৰ আৰু

গ)খাদ্য আৰু কৃষিৰ বাবে উদ্ভিদ অনুবংশিক সম্পদসমূহ সংৰক্ষণ আৰু সন্তুলিত ব্যৱহাৰ সম্পৰ্কে ৰাষ্ট্ৰীয় পৰ্যায়ত সিদ্ধান্ত গ্ৰহণ কৰোতে ভাগ লোৱাৰ অধিকাৰ।

৩) দেশীয় আইন সন্মত, খেতিৰ পৰা সঞ্চিত বীজ বা ৰোপন সামগ্ৰী সঞ্চয়, ব্যৱহাৰ, বিনিময় আৰু বিক্ৰী কৰা কৃষকৰ অইধকাৰ এই দফাত থকা কোনো কথাই সংকুচিত কৰিব নোৱাৰি।

# উদ্ভিদজাত পঞ্জীয়ন পদ্ধতি

পঞ্জীয়নৰ বাবে আবেদন ইংৰাজী বা হিন্দী ভাষাত কৰিব পাৰে। আবেদনৰ তিনিটা প্ৰতিলিপি জমা দিব লাগে। আবেদন জমা দিয়াৰ বাবে নতুন দিল্লীত প্ৰধান পঞ্জীয়ন কাৰ্যালয় আৰু গুৱাহাটী আৰু ৰাঁচীত শাখা কাৰ্যালয় খোলা হৈছে।

নতুন জাত আৰু বিদ্যমান জাতৰ নিৰ্দিষ্ট প্ৰ-পত্ৰ নং ১ আৰু অপৰিহাৰ্যভাৱে ব্যুৎপন্ন জাত পঞ্জীয়নৰ বাবে প্ৰ-পত্ৰ নং ২ নিৰ্দিষ্ট কৰা হৈছে। আবেদন পত্ৰৰ লগতে কাৰিকৰী প্ৰশ্নাৱলী প্ৰ-পত্ৰ, যিখনত জাতটো সম্পৰ্কে সবিশেষ কাৰিকৰী তথ্য সন্নিৱিষ্ট কৰা হয়, গাঁঠি দিব লাগিব।

পঞ্জীয়নৰ আবেদন গ্ৰহণ কৰাৰ পিছত প্ৰাধিকৰণে জাতটোৰ নাম আৰু তাৰ নিৰ্দিষ্ট তথ্য মাহেকীয়া পত্ৰিকা 'উদ্ভিদজাত পত্ৰিকা'ত প্ৰকাশ কৰা হয়। প্ৰকাশৰ তিনিমাহৰ ভিতৰত কৰোবাৰ আপত্তি থাকিলে আবেদন কৰাৰ সুযোগ দিয়া হয়। আপত্তি গ্ৰহণ আৰু নিস্পত্তিৰ সিদ্ধান্ত পঞ্জীয়কে গ্ৰহণ কৰে।



**জাত পঞ্জীয়নৰ খৰচ**

ক। আবেদন পত্ৰৰ ব্যৱস্থা গ্ৰহণৰ খৰচ —২০০ টকা

খ। পঞ্জীয়নৰ মাচুল ঃ

| | |
|---|---|
| নতুন জাত/অপৰিহাৰ্য ব্যুৎপন্ন জাত — | ব্যক্তিগত ঃ ৫,০০০ টকা |
| | শিক্ষানুষ্ঠান ঃ ৭,০০০ টকা |
| | বাণিজ্যিক ঃ ১০,০০০ টকা |
| বীজ আইন ১৯৬৬ ৰ ৫ নং ধাৰাৰ অধীনত | |
| জাননীকৃত বিদ্যমান জাত | ঃ ১,০০০ টকা |
| সাধাৰণভাৱে জ্ঞাত জাত ব্যক্তিগত | ঃ ২০০০ টকা |
| শিক্ষানুষ্ঠান | ঃ ৩০০০ টকা |
| বাণিজ্যিক প্ৰতিষ্ঠান | ঃ ৫০০০টকা |
| কৃষকৰ জাত | ঃ মাচুল নাই |
| গ। বিশিষ্টতা, একৰূপতা, স্থিৰতা পৰীক্ষণ মাচুল | |
| ধান আৰু মাহজাতীয় শস্য | ঃ ২০,০০০ টকা |
| তৈলবীজ শস্য | ঃ ২০,০০০টকা |
| জালুক, ইলাচি, আদা, হালধি, গোলাপ, ৰজনীগন্ধা | ঃ ৪৫,০০০টকা |
| আম | ঃ ৩০,০০০ টকা |
| আলু | ঃ ৪৮,০০০টকা |
| বিলাহী, বেঙেনা, ভেণ্ডি, কবি, পিয়াজ, নহৰু | ঃ ৪০,০০০টকা |

তদুপৰি পঞ্জীকৃত জাতৰ পঞ্জীয়ন বৰ্তাই ৰাখিবৰ বাবে বাৰ্ষিক মাচুল জমা কৰিব লাগে। সকলো মাচুল পঞ্জীয়কৰ নামত বেংক ড্ৰাফ্‌ট্‌যোগে জমা কৰিব লাগে। বৰ্তমান প্ৰাধিকৰণে অনলাইন যোগেও

দৰ্খাস্ত কৰা আৰু মাচুল লোৱাৰ ব্যৱস্থা কৰিছে।

প্ৰাধিকৰণে জাননী জাৰি কৰা শস্যৰ জাতহে পঞ্জীয়নৰ বাবে বিবেচনা কৰা হয়। বৰ্তমান ৯২ বিধ শস্যৰ জাত পঞ্জীয়নৰ বাবে মুকলি কৰা হৈছে।

উদ্ভিদ জাত পঞ্জীয়নৰ বাবে আবেদন পত্ৰৰ লগত সংশ্লিষ্ট জাতৰ সুবীজ লগত পঠাব লাগে। কেইটামান শস্যৰ বীজৰ পৰিমাণ এনেধৰণৰ-

| | | |
|---|---|---|
| ধান | - | ৩০০০ গ্ৰাম |
| গোমধান | - | ৩০০০ গ্ৰাম |
| মগুমাহয় মাটিমাহ | - | ১০০০ গ্ৰাম |
| সৰিয়হ | - | ৫০০ গ্ৰাম |
| তিল | - | ৫০০ গ্ৰাম |
| বিলাহী | - | ১৫ গ্ৰাম |
| বেঙেনা | - | ১৫ গ্ৰাম |
| নহৰু | - | ২০০০ ফুটা |

বীজ বিলাক উচ্চ অংকুৰণ ক্ষমতা সম্পন্ন আৰু বিশুদ্ধ হোৱা উচিত।

পঞ্জীয়নৰ আবেদন প্ৰ-পত্ৰ প্ৰাধিকৰণৰ ৱেবচাইটত পোৱা যায়। কৃষকৰ জাত পঞ্জীয়নৰ বাবে আবেদন পত্ৰ সহজ কৰি দিয়া হৈছে।



# উদ্ভিদ জিনসমগ্ৰ ৰক্ষক পুৰস্কাৰ

শস্য আৰু তাৰ বনৰীয়া সম্বন্ধীয় উদ্ভিদৰ সংৰক্ষণ, উৎকৰ্ষ সাধন, সিবিলাকৰ মূল্য সংযোজনত অৰিহণাৰ বাবে সমূহীয়া ভাৱে বা গাইগুটীয়াকৈ কৰা উল্লেখনীয় কামৰ বাবে এই পুৰস্কাৰ দিয়া হয়। ইয়াৰ দ্বাৰা কৃষকসকলে খাদ্য আৰু কৃষি নিৰাপত্তাৰ বাবে কৰা কামৰ শলাগ লোৱা হয় আৰু তেনে কাম আগবঢ়াই নিয়াৰ প্ৰচেষ্টাক উৎসাহ যোগোৱা হয়।

প্ৰাধিকৰণে বছৰি উদ্ভিদ জিনসমগ্ৰ ৰক্ষক সমূহীয়া পুৰস্কাৰ কৃষক বা জনজাতীয় সম্প্ৰদায়ক, উদ্ভিদ জিন সমগ্ৰ ৰক্ষক কৃষক পুৰস্কাৰ আৰু উদ্ভিদ জিন সমগ্ৰ ৰক্ষক কৃষক স্বীকৃতি প্ৰদান কৰে। সমূহীয়া পুৰস্কাৰ পাঁচটা কৃষক সম্প্ৰদায়ক দিয়া হয়। এই পুৰস্কাৰত থাকে এখন প্ৰশস্তি পত্ৰ, এটা স্মাৰক আৰু ১০ লাখ টকা নগদ ধন। কৃষক পুৰস্কাৰ বছৰি দহজনক দিয়া হয় আৰু এই পুৰস্কাৰত এখন প্ৰশস্তি পত্ৰ, এটা স্মাৰক আৰু নগদ এক লাখ টকা প্ৰদান কৰা হয়। কৃষক স্বীকৃতি পত্ৰ বছৰি ২০ জন কৃষকক দিয়া হয়। ইয়াত থাকে একোখন প্ৰশস্তিপত্ৰ আৰু একোটা স্মাৰক। সৱিশেষ প্ৰাধিকৰণৰ ৱেবচাইটত পোৱা যায়।

## উদ্ভিদজাত সুৰক্ষা সম্পৰ্কীয় তথ্যৰ
## উৎস ৱেবচাইট

উদ্ভিজাত আৰু কৃষক অধিকাৰ সুৰক্ষা
প্ৰাধিকৰণৰ ৱেবচাইট— www.plantauthority.gov.in

বীজ সম্পৰ্কীয় ৱেবচাইট— www.seednet.gov.in

বিশ্ব বাণিজ্য সংস্থাৰ ৱেবচাইট— www.wto.org

উদ্ভিদৰ নতুন জাত সুৰক্ষাৰ বাবে
আন্তঃৰাষ্ট্ৰীয় সংঘৰ ৱেবচাইট— www.upov.org

খাদ্য আৰু কৃষি সংস্থাৰ ৱেবচাইট— www.fao.org

বৌদ্ধিক সম্পত্তিৰ ভাৰতীয় কাৰ্যালয়— www.ipindia.nic.in

জৈৱ বৈচিত্ৰ্যৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় সন্মিলন— www.cbd.int

ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য প্ৰাধিকৰণ, চেন্নাই— www.nbaindia.org